দি স্নাতক হোৱা নীতিটোক আকস্মিক ভাবে এবছৰীয়া প্ৰাক বিশ্ববিদ্যালয় আৰু তিনি বছৰীয়া ডিগ্ৰী শ্ৰেণীলৈ পৰিবৰ্ত্তিত কৰি কোনো সুফল আদায় হোৱা নাই বুলি কব পৰা যায়। সেইদৰে হায়াৰ চেকেণ্ডাৰী আৰু বহুমুখী বিদ্যালয়বোৰেও একে বিফলতাৰেই স্বাক্ষৰ বহন কৰিছে বুলি শিক্ষাবিদসকলে আঙুলিয়াই দিছে। সেইবাবে যোৱা বছৰত হৈ যোৱা শিক্ষা সম্পৰ্কীয় চৰকাৰী চুৰান্ত সিদ্ধান্তত এইটো কোৱা হয় যে উক্ত বহুমুখী আৰু হায়াৰচেকেণ্ডাৰী স্কুলবোৰৰ ঠাইত বাৰ বছৰীয়া স্কুলীয়া শিক্ষানিধি গ্ৰহণ কৰি প্ৰাক বিশ্ববিদ্যালয় আৰু ডিগ্ৰীৰ শিক্ষাকাল দুবছৰীয়া কৰা হব। অৰ্থাৎ প্ৰাইমেৰীৰ পৰা ডিগ্ৰী লৈকে এজন ছাত্ৰই কটাবলগীয়া মুঠ ষোল্লটা বছৰৰ ঠিকেই থাকিল, কেবল স্থানবহে অলপ ইফাল সিফাল হল।

উক্ত দৃষ্টান্তখিনি এটা বাস্তৱ বিশ্লেষণেৰে চালি জাৰি চালে এটা কথা আমাৰ চকুত নপৰেনে যে পৰিবৰ্ত্তনমুখী শিক্ষা ব্যৱস্থাটোৱে যোৱা বছৰকেইটাত কেইলাখমান কোৱা, পঙ্গু আৰু অপদাৰ্থৰ দলহে সৃষ্টি কৰিলে? অথচ পুনৰ শিক্ষা দিয়াৰ বাহিৰত বৈ থকা এই দলটো সমাজৰ অতি আৱশ্যকীয় অঙ্গ হিচাবে গুৰুভাৰ বহন কৰিবই লাগিব।

অৱশ্যে প্ৰস্তাৱিত শিক্ষাব্যৱস্থাত ইংৰাজী ভাষাৰ পৰিবৰ্ত্তে আঞ্চলিক ভাষাত শিক্ষাদান নীতিটোৱে যথেষ্ট সমাদৰ লাভ কৰিছে বুলি কব লাগিব। কিন্তু বাস্তৱ পৰিবেশত ই সঁচা সঁচিকৈ আমাৰ কিমান সপোন ফলৱতী কৰিব পাৰিব সেই সম্পৰ্কেও কোনো বিশেষজ্ঞই ন'কি কব নোৱাৰে কিয়নো যুগ যুগ ধৰি শিক্ষাৰ ক্ষেত্ৰত কৰি অহা গৱেষণাৰ পৰীক্ষামূলক প্ৰস্তুতি বুলিহে বহুতে সন্দেহৰ চকুৰে চোৱাৰ থল আছে।

এটা অতি অভিনৱ দাবীয়ে আৰু সেই দাবীৰ কাৰ্য্যকাৰিতা সম্বন্ধে দেখা দিয়া সমস্যাই আজিৰ '৭১ চনৰ শিক্ষাঙ্গনত বিৰাট আকাৰ ধাৰণ কৰা দেখা গৈছে। সেইটো হৈছে পাঠ্য পুথিৰ কেৰিকুলাম কৰা আৰু ব্যৱস্থাপক সভাত সিদ্ধান্ত গ্ৰহণ কৰা আদি ক্ষেত্ৰত ছাত্ৰৰ অংশ গ্ৰহণ। একালৰ পৰা চাবলৈ গলে কথাটো হাঁহি উঠা বৰণৰ। কিয়নো পাঠ্য পুথি বাছনি কমিটিত প্ৰতিনিধিত্ব কৰা ছাত্ৰজনে কোনটো বিষয়ৰ বাবে কোনখন কিতাপ উপযুক্ত সেইটো আগেয়ে জানি লব লাগিব, অৰ্থাৎ সেই কিতাপ বা বিষয়টোৰ ওপৰত তেওঁৰ যথেষ্ট দখল থাকিব লাগিব। যদি থাকে তেনেহলে তেওঁ ছাত্ৰ নহৈ বিশেষজ্ঞ হৈ পৰিল; আৰু যদি সেই গুণ নাই তেনেহলে তেওঁ প্ৰতিনিধিত্ব কৰিবলৈ অনুপযুক্ত। সদ্যনিযুক্ত গজেন্দ্ৰগাদকৰ (Gajendragadkar) কমিচনৰ প্ৰতিবেদনে কম বেছি পৰিমাণে উক্ত মতকেই সমৰ্থন কৰিলেও এইটো কথা স্পষ্টভাবে অনুভৱ কৰিব পৰা যায় যে প্ৰচলিত যি কোনো শিক্ষাবিধিৰ লগতে চৰকাৰী যোজনাবোৰে সন্ধি স্থাপন কৰিব লাগিব যদিহে শিক্ষাৰ মূল উদ্দেশ্যই যথাৰ্থতা লাভ কৰিব লাগে। কিয়নো উপযুক্ত শিক্ষাত শিক্ষিত লোকসকলক এমাত্ৰ চৰকাৰেহে নিযুক্তিৰ প্ৰতিশ্ৰুতি দিব লাগিব।

দেশ, সমাজ, অৰ্থনীতি আৰু শিক্ষাবিধিৰ এই দাৰুণ সংকটৰ সময়ত বিভিন্ন গোষ্ঠী আৰু শ্ৰেণীৰ মানুহৰ নিজ নিজ কৰ্ত্তব্যবোধৰ আৱশ্যক হৈছে। হিংসাত্মক কাৰ্য্যত লিপ্ত হৈ উন্মত্ত হোৱা ছাত্ৰসকলক শান্তিৰ শৃংখলেৰে বান্ধি কল্যাণমূলক কামত আত্মনিয়োগ কৰিবলৈ উপযুক্ত পৰিবেশ এটা লৈ সমাজৰ বিভিন্ন শ্ৰেণীৰ কৰ্ণধাৰসকল আগুৱাই আহিব লাগিব। এই ক্ষেত্ৰত ছাত্ৰসকলৰ দায়িত্ব কম হব নোৱাৰে। শপত গ্ৰহণ কৰোতে দিয়া প্ৰতিশ্ৰুতিকে সাৰোগত কৰি নিজ কৰ্ত্তব্যত আগুৱাই যোৱা দেশনেতা এজনৰ কাৰ্য্যবিধিলৈ চাই যেতিয়া সমাজসেৱীয়ে নিজৰ সকলো ভণ্ডামী এৰি পেলাব; নিৰ্দ্দিষ্ট এক সুস্থ শিক্ষানীতিয়ে যেতিয়া চৰকাৰী যোজনাত সকলোতকৈ আগস্থান পাব, দেশৰ ধৰণীস্বৰূপে ছাত্ৰ সমাজে যেতিয়া উশৃংখলতাকে বিদ্ৰোহ বুলি ভ্ৰম নকৰা হব আৰু শিক্ষাৰ একমাত্ৰ পুৰোহিত শিক্ষকশ্ৰেণীয়ে যেতিয়াই অৰ্থনৈতিক আৰু সামাজিক পূৰ্ণস্বীকৃতি লাভ কৰিব, তেতিয়াই এটা নতুন সমন্বয়ৰ সুৰ বাজি উঠা সম্ভৱ হব। অন্যথাই সংকটৰ কাইটে বিন্ধি বিন্ধি সৃষ্টি কৰা কেঁচা ঘাঁব পৰা ওলোৱা তেজৰ টোপালবোৰে সমাজত অগণন খহঁৰ সৃষ্টি কৰি মূল শৰীৰটোও এদিন নিস্তেজ কৰি পেলাব।

(বৰকো সাহিত্য সভাৰ নৱম বৈঠকত উক্ত প্ৰবন্ধটি পাঠ কৰা হৈছিল।)

# ভাৰত-ৰত্ন জৱাহৰলাল নেহৰু

মনচুৰ ৰহমান খান
প্ৰথম বাৰ্ষিক ( কলা )

**নেহৰু পৰিয়াল আৰু পূৰ্ব্বপুৰুষৰ পৰিচয়ঃ—**

ভাৰতবৰ্ষৰ ৰাজনৈতিক আকাশৰ ভোটাতৰাস্বৰূপ জৱাহৰলাল নেহৰুৰ পূৰ্ব্বপুৰুষ ৰজা কাউল কাশ্মীৰৰ পৰা দিল্লীলৈ আহি মোগল সম্ৰাট ফাৰুকছিয়াৰৰ পৰা এটা খালৰ পাৰত জায়গীৰ পাই তাতে থাকিবলৈ লয়। উৰ্দ্দু ভাষাত খালক 'নহৰ' বোলে। কিন্তু এই নহৰৰ পৰা নেহৰু উপাধিটো ৰজা কাউলৰ উপাধি স্বৰূপ হয় আৰু কাউল উপাধিটো সময়ত লীন হৈ যায়। এওঁলোক কাশ্মীৰী ব্ৰাহ্মণ।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ ফলত নেহৰু পৰিয়ালৰ সকলো মাটি সম্পত্তি নষ্ট হয় আৰু উপায় হীন হৈ আগ্ৰালৈ স্থানান্তৰিত হয়। বুৰঞ্জী প্ৰসিদ্ধ আগ্ৰা নগৰীত স্বাধীনতা সংগ্ৰামৰ সিংহ পুৰুষ মতিলাল নেহৰুৰ জন্ম হয়। আগ্ৰাত কিছু কাল কটাই নেহৰু পৰিয়ালে এলাহাবাদলৈ আহি স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। মতিলাল নেহৰুৱে ওকালতি কৰি যথেষ্ট ধন সম্পত্তিৰ মালিক হয়। কম বয়সতেই তেওঁ এজন শ্ৰেষ্ঠ উকিল হিচাবে খ্যাতি লাভ কৰিছিল আৰু জীৱনৰ প্ৰায়খিনি সময় আইন সাধনাত অৰ্পণ কৰিছিল। মতিলাল নেহৰুৰ দেউতাক এজন বিনয়ী ব্ৰাহ্মণ আছিল। মতিলাল নেহৰুৰ দুজন ককায়েক আছিল ক্ৰমে বংশীধৰ নেহৰু আৰু নন্দলাল নেহৰু। মতিলাল নেহৰুৱে বি-এ পৰীক্ষা দিছিল যদিও সেই পৰীক্ষাত কৃতকাৰ্য্য হব নোৱাৰি আইন পৰীক্ষা দি সেই পৰীক্ষাত 'স্বৰ্ণ পদক' লাভ কৰিলে। কানপুৰ আদালতত তেওঁ প্ৰথমতে ওকালতি আৰম্ভ কৰে আৰু তাতেই যথেষ্ট সুনাম অৰ্জ্জন কৰে। এলাহাবাদত থকা 'আনন্দভৱন' বিল্ডিংটোৱে তেওঁৰ ঐশ্বৰ্য্যশালীৰ নিদৰ্শন।

**জৱাহৰলাল নেহৰুৰ জন্ম :—**

১৮৮৯ চনৰ ১৪ নবেম্বৰৰ দিনটো ভাৰতৰ এটি অবিস্মৰণীয় দিন। এই পবিত্ৰ দিনতেই জৱাহৰলাল নেহৰুৰ জন্ম হয়। মুখৰ সোণালী চামুচ মুখত লৈ নেহৰু জন্মিছিল। মতিলাল নেহৰুৰ একমাত্ৰ সন্তান হিচাবে অশেষ আদৰ সাদৰৰ মাজেদি পাৰ হৈ যায় নেহৰুৰ বাল্যকালছোৱা। কিন্তু এই বাল্যকালছোৱাত মুন্সী মোবাৰক আলীৰ বাহিৰে আন কোনো সঙ্গী নাছিল। এইজনা বৃদ্ধ মুন্সীয়ে জৱাহৰলালক অশেষ মৰম কৰিছিল। মুন্সী মোবাৰক আলীয়ে জৱাহৰলালৰ আগত দেশ বিদেশৰ ৰাজনীতিবিদ মনীষিসকলৰ জীৱনীবোৰ সাধু কথাৰ নিচিনাকৈ কৈছিল। শিশু জৱাহৰলালে এইবোৰ মনোযোগেৰে শুনিছিল। মুন্সী মোবাৰক আলীৰ পৰা কাৰবালাৰ করুণ কাহিনী-বোৰ শুনি কেতিয়াবা কান্দি পেলাইছিল। যেতিয়াৰ পৰাই তেওঁৰ শিক্ষাৰ আৰম্ভ হয়। সৰুকালত শিশু জৱাহৰলালৰ অন্তৰত স্বদেশ প্ৰেম জাগৰিত হয় যেতিয়া তেওঁ মুন্সী মোবাৰক আলীৰ পৰা শক্তিময়ী ঝান্সীৰ ৰাণী লক্ষ্মীবাঈৰ স্বদেশ প্ৰেমৰ কাহিনী শুনে। লক্ষ্মীবাঈৰ নিচিনা জন্মভূমিৰ কাৰণে আত্মবলিদান দিয়া বীৰাঙ্গনা পৃথিবীৰ বুৰঞ্জীত বিৰল। নিজৰ জন্মভূমিৰ তুলনাত মানুহ তুচ্ছ, ইত্যাদি ভাৱধাৰাই আন্দোলিত হয় এই তৰুণ শিশুটিৰ প্ৰাণত। তেওঁ ভাবে যে ডাঙৰ হলে দেশৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিব। মুন্সী মোবাৰক আলীৰ বাহিৰে তেওঁৰ কোনো সঙ্গী নাছিল কাৰণ ভনী বিজয়লক্ষ্মী পণ্ডিত বয়সত তেওঁতকৈ বহুত সৰু আছিল। মাক বাপেকৰ স্নেহৰ পুতুলি যদিও জৱাহৰলালৰ বাল্য কালৰ শিক্ষা আৰম্ভ হয়

পাশ্চাত্য অভিজাত্য বংশৰ ধৰণেই গৃহ শিক্ষকসকলৰ দ্বাৰা ।

নেহৰুৰ শিক্ষালাভ :—

ইউৰোপীয় শিক্ষয়িত্ৰীৰ দ্বাৰা জৱাহৰলালক শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। এইজনীয়ে হ'ল জৱাহৰলালৰ আদি শিক্ষয়িত্ৰী। তাৰ পাছত ফাৰ্ডিনেণ্ড, টি, বৰুৱা নামৰ এজন গৃহশিক্ষকে শিক্ষাদান কৰে। এঘাৰ বছৰীয়া জৱাহৰলালক এইজনা শিক্ষকেই পাশ্চাত্য দেশৰ কিছু শিক্ষা দিয়ে । জৱাহৰলালে বিজ্ঞান আৰু ইংৰাজী ভাষা ভালকৈ আয়ত্ব কৰে। দেউতাকৰ ইচ্ছামতেই হিন্দী শিক্ষাত মনোনিবেশ কৰে। কিন্তু তেওঁ হিন্দী শিক্ষা লাভতকৈ বিজ্ঞানৰ আচৰিত ৰহস্যবিলাকৰ কথা পঢ়ি ব্যৱহাৰিক ভাবে সেইবোৰ পৰীক্ষা কৰি চাবলৈ এটি পৰীক্ষাগাৰ সজাই তাত পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ পৰীক্ষা কৰি আমোদ পাইছিল ।

বিলাতৰ--হে'ৰো আৰু কেম্‌ব্ৰিজ বিশ্ববিদ্যালয়ত :--

১৯০৫ চনৰ মে মাহত ১৫ বছৰ বয়সত পৰিয়াল সহ ইংলণ্ডলৈ যায়। সেই সময়ত ইংলণ্ডত বিখ্যাত কলেজ দুখন আছিল 'ঈটন' আৰু 'হেৰো'—যত কেৱল ধনী মানুহৰ লৰাই অধ্যয়ন কৰিব পাৰিছিল। দেউতাক মতিলাল নেহৰুৱে জৱাহৰলালক 'হেৰো বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি কৰি দিয়ালে। কিন্তু জৱাহৰলালে লেটিন ভাষা ভালকৈ নাজানিছিল কাৰণে প্ৰথমতে তলৰ শ্ৰেণীত ভৰ্ত্তি হব লগা হয় যদিও শেষত তীক্ষ্ণ মেধাৱী বুলি পৰিচয় হোৱাত অলপ দিনৰ ভিতৰতে ওপৰ শ্ৰেণীলৈ প্ৰমোচন পায়। ছাত্ৰাৱস্থাত জৱাহৰলালৰ ৰাজনৈতিক জ্ঞানৰ পৰিসৰ এই উদ্ধৃতি ফাঁকিৰ পৰাই উপলব্ধি কৰিব পাৰি । (জৱাহৰলালৰ লিখনিৰ ভাবানুবাদ)" মোৰ যিমান দূৰ মনত পৰে ১৯০৫ চনৰ শেষ ভাগত ইংল্যাণ্ডৰ সাধাৰণ নিৰ্ব্বাচনৰ বিষয়ে মই কৌতুহলী হৈ পৰিছিলোঁ । সেইবাৰ উদাৰনৈতিক দল জয়ী হৈছিল। ১৯০৬ চনৰ আৰম্ভণীত এদিন শিক্ষকে নতুন গৱৰ্ণমেণ্টৰ বিষয়ে কিছুমান প্ৰশ্ন কৰিলে। তেওঁ আচৰিত হ'ল যে ছাত্ৰসকলৰ ভিতৰত একমাত্ৰ ময়ে সেই বিষয়ৰ খুটি নাটি খবৰ ৰাখোঁ। মই তেওঁক কেম্বেল মন্ত্ৰীসভাৰ প্ৰত্যেকৰ নাম কৈছিলো ।" ইয়াৰ পৰাই উপলব্ধি কৰিব পৰা যায় তেওঁৰ তীক্ষ্ণ মেধা শক্তিৰ। হে'ৰোত জৱাহৰলালে ভাৰতৰ খবৰ-বাতৰি লবলৈ পাহৰা নাছিল। তেওঁৰ ভাষাত কবলৈ গলে "১৯০৬—০৭ চনৰ ভাৰতৰ খবৰ বাতৰিয়ে মোৰ মন অতি চঞ্চল কৰি তুলিলে। ইংল্যাণ্ডৰ বাতৰি কাকতবোৰত অতি চমুকৈ খবৰ প্ৰকাশ পাইছিল, কিন্তু তাৰ পৰাই অনুমান কৰিব পাৰিছিলোঁ। যে বঙ্গদেশ, পঞ্জাব আৰু মহাৰাষ্ট্ৰত ডাঙৰ ডাঙৰ ঘটনা হব ধৰিছে। কিন্তু নিজৰ প্ৰাণৰ কথা খুলি ক'ম এনেকুৱা কোনো মানুহ হে'ৰোত নাছিল। ছুটিৰ দিনা মোৰ আত্মীয় স্বজন বা ভাৰতীয় বন্ধুসকলৰ লগত দেখা হলে মনৰ বোজা পাতলাব পাৰিছিলোঁ ।"

'হেৰোত জৱাহৰলালৰ বৰ ভাল লাগিছিল। ১৯০৭ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ট্ৰিনিটি কলেজত বিজ্ঞান শাখাত ভৰ্ত্তি হয় আৰু তাত তেওঁ ৰসায়ন ভূবিদ্যা আৰু উদ্ভিদ বিদ্যা অধ্যয়ন কৰে। কিন্তু তেওঁ এই তিনি বিষয়ৰ বাহিৰেও অন্যান্য বিষয় মনোযোগেৰে অধ্যয়ন কৰিছিল ।

কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত ভাৰতীয় ছাত্ৰসকলৰ কাৰণে যি ৰাজনৈতিক সংঘ আছিল সেই সংঘৰ ৰাজনৈতিক নেতা বিপিন চন্দ্ৰ পাল, লাজপৎৰায় আৰু গোপাল কৃষ্ণ গোখলে আদি বিশিষ্ট নেতাসকলৰ পৰা জৱাহৰলালে বহুতো ৰাজনৈতিক জ্ঞানৰ আভাষ পায়।

কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থাকোতে ভৱিষ্যত চিন্তা কৰি সিদ্ধান্ত কৰিলে যে তেওঁ ভৱিষ্যতৰ জীৱনটো চিভিল চাৰ্ভিচ কৰিয়ে কটাব। কিন্তু সেই সময়ত চিভিল চাৰ্ভিচৰ সিমান আদৰ নাছিল আৰু ইপিনে নেহৰুৰ বয়স কম আছিল আৰু আনহাতে পৰীক্ষা দিব লাগিলে ইংল্যাণ্ডত এবছৰ থাকিব লাগিব। ইত্যাদি নানা কাৰণত তেওঁৰ আৰু পঢ়িবলৈ ইচ্ছা নহল ।

১৯১০ চনত জৱাহৰলালে ডিগ্ৰী পৰীক্ষা সুখ্যাতিৰে পাছ কৰে। তেওঁ এই পৰীক্ষাত দ্বিতীয় বিভাগত প্ৰথম স্থান লাভ কৰে ।

কেম্ব্ৰিজত থকা কালছোৱাৰ কথা এনেকৈ বৰ্ণনা কৰিছে "মই কেম্ব্ৰিজৰ বিবাট চোতাল, আৰু ঠেক বাটত ফুৰিছিলোঁ। চিনাকি কাৰোবাক লগ পালে বৰ ৰং পাইছিলোঁ। কেম্ব্ৰিজত থকা হ'ল তিনিটা বছৰ

এই শান্তিপূর্ণ বছৰ তিনিটাত বিশেষ একো বিৰক্তিৰ কাৰণ ঘটা নাছিল ; লাহে লাহে দিনবোৰ যাবলৈ ধৰিলে। বহুতো বন্ধুৰ সমাগম, অলপ অচৰপ পঢ়াশুনা আৰু খেল ধেমালি, আৰু লগে লগে জ্ঞান আৰু বুদ্ধিৰ পৰিধিৰ বিস্তাৰ—বছৰ তিনিটা কেনে আনন্দৰ। মই প্ৰাকৃতিক বিজ্ঞানত 'ট্ৰাইপোচ' লৈছিলোঁ। মোৰ বিষয় আছিল ৰসায়ন, ভূবিদ্যা আৰু উদ্ভিদ বিদ্যা ; কিন্তু মোৰ আগ্ৰহ সেই বস্তুবোৰৰ মাজতেই সীমাবদ্ধ নাছিল। কেম্ব্ৰিজত নাইবা ছুটিৰ সময়ত লণ্ডনত বা আন কোনো ঠাইত এনে কিছুমান মানুহৰ লগত দেখা হৈছিল, যিসকলে বিবিধ কিতাপ, সাহিত্য, বুৰঞ্জী আৰু ৰাজনীতিৰ বিষয়ে পাণ্ডিত্যপূৰ্ণ আলোচনা কৰিছিল।"

"কেম্ব্ৰিজৰ ভাৰতীয়সকলৰ 'মজলিছ' নামৰ সমিতি এখন আছিল। ইয়াত প্ৰায়েই আমি ৰাজনীতি চৰ্চ্চা কৰিছিলোঁ, কিন্তু বাস্তৱৰ লগত সম্পৰ্কহীন তৰ্কত মাথোন পাৰ্লামেণ্ট নাইবা বিশ্ববিদ্যালয়ৰ ইউনিয়নৰ আলোচনাৰ ভঙ্গী, বক্তৃতাৰ সময়ত অঙ্গ সঞ্চালন আদিৰ অনুকৰণৰ পিনেই আমি মন দিছিলোঁ। বিষয় বস্তুৰ পৰা আঁতৰত আছিলোঁ। মই প্ৰায়েই মজলিছত উপস্থিত আছিলোঁ, কিন্তু তিনিবছৰৰ ভিতৰত কাচিৎহে বক্তৃতা দিছিলোঁ। মই লাজ আৰু সঙ্কোচক কোনো পধ্যেই অতিক্ৰম কৰিব পৰা নাছিলোঁ। কলেজৰ তৰ্ক সভাতো মই এই কাৰণেই বিব্ৰত হৈ পৰিছিলোঁ। নিয়ম আছিল যে নিৰ্দ্দিষ্ট সময়ত বছৰত এবাৰকৈ বক্তৃতা নিদিলে জৰিমণা দিব লগা হয়। মই প্ৰায়েই জৰিমণা দিছিলোঁ।

"মোৰ মনত আছে, এডুইন মণ্টেগু প্ৰায়েই আমাৰ তৰ্ক সভালৈ আহিছিল। তেওঁ ভাৰত সচিৱ হৈছিল। তেওঁ ট্ৰিনিটি কলেজৰ প্ৰাক্তন ছাত্ৰ আৰু কেম্ব্ৰিজ কেন্দ্ৰৰ পৰা পাৰ্লামেণ্টৰ সদস্য আছিল। তেওঁৰ পৰাই মই বিশ্বাস বোলা বস্তুটোৰ প্ৰথম আধুনিক সংজ্ঞা শুনো। তেওঁ কৈছিল, 'তোমাৰ যুক্তিয়ে যিটো সঁচা বুলি স্বীকাৰ কৰে, তাক বিশ্বাস কৰাটো টান। সেইকাৰণে যিটো যুক্তি অনুমোদিত, তাত অন্ধবিশ্বাসৰ কথাই উঠিব নোৱাৰে।"

**ভাৰতলৈ পুনৰাগমন :-**

১৯১২ চনত আইন পৰীক্ষাত তেওঁ পাছ কৰে। সুদীৰ্ঘ ৭ বছৰৰ মূৰত বেৰিষ্টাৰী পাছ কৰি জন্মভূমি ভাৰতবৰ্ষলৈ উভতি আহে।

নিজ দেশলৈ ঘূৰি আহি ওকালতি কৰিবলৈ ধৰিলে যদিও ওকালতিত তেওঁৰ আনন্দ নোহোৱা হ'ল। দেশৰ শোকাবহ পৰিণতিও তেওঁৰ হৃদয় কান্দি উঠিল। কংগ্ৰেছ আৰু কৃষক আন্দোলনে তেওঁক টানি লৈ গ'ল। গোটেই দেশত মাহাত্মা গান্ধীৰ নেতৃত্বত যি বিপ্লৱ আৰম্ভ হ'ল সেই বিপ্লৱক তেওঁ নেওচিব নোৱাৰিলে। জৱাহৰলাল নেহৰুৱে গান্ধী আৰু মতিলাল নেহৰুৰ লগে লগে বিৰাট মহাদেশ বিৰাট মানৱৰ ভাগ্য নিয়ন্ত্ৰণকাৰী হৈ পৰিল। তেওঁৰ অদম্য কৰ্ম্ম স্পৃহাই গোটেই ভাৰতৰ অন্যতম শ্ৰেষ্ঠ নেতা হিচাবে প্ৰতিষ্ঠিত কৰিলে।

**কৃষকসকলৰ মাজত :**

দেশৰ জনগণৰ মাজত স্বাধীনতাৰ প্ৰবল স্পৃহা জাগৃত হৈ উঠিছিল। কিন্তু বৃটিছ চৰকাৰে সদায় বিদ্ৰোহে দমন কৰিবলৈ সজাগ আছিল। ঠায়ে ঠায়ে এই বিদ্ৰোহ প্ৰকাশ্য ৰূপ ধাৰণ কৰিছিল--ফলত নিৰীহ জনতাৰ বুকুৰ তেজ মাটিত জমাট বান্ধিছিল। জৱাহৰলাল নেহৰুৱে এইবোৰ বিদ্ৰোহত পূৰ্ণ মাত্ৰাই যোগদান কৰি দেশবাসীক বিপ্লৱৰ বাটত আগুৱাই লৈ গ'ল। কৃষকে বিচাৰি পালে এটি যোগ্য জননায়ক—যাৰ নিৰ্দ্দেশত পালে বিপ্লৱৰ নতুন পথ।

**নেহৰুৰ বিয়া :**

১৯১৬ চনত ২৬ বছৰ বয়সত শ্ৰীমতী কমলা নেহৰুৰ সৈতে জৱাহৰলাল নেহৰুৰ বিয়া দিল্লী নগৰীত মহাসমাৰোহেৰে সমাধা হয়। বিয়াৰ মধুমাহ উপভোগ কৰিবলৈ নৱ দম্পতিয়ে ভূস্বৰ্গ কাশ্মীৰলৈ যায়।

**লক্ষ্ণৌ অধিবেশন :**

১৯১৬ চনত লক্ষ্ণৌ নগৰত কংগ্ৰেছ অধিবেশন বহে। সেই অধিবেশনত মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাৰ পৰা আহি যোগদান কৰি জৱাহৰলালক প্ৰথম সাক্ষাৎ পায়।

**অমৃতসৰ অধিবেশন:**

১৯১৯ চনত অমৃতসৰত কংগ্ৰেছ অধিবেশন বহে মতিলাল নেহৰুৰ সভাপতিত্বত। মহাত্মা গান্ধীয়ে প্ৰথম বাৰৰ কাৰণে এই অধিবেশনত যোগ দিয়ে। গান্ধীজীৰ পৰামৰ্শ মতেই এই অধিবেশনে কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰিলে। মানুহৰ আগ্ৰহ উদ্দীপনাত মহাত্মাই সুখী হৈ ১৯১৯ চনৰ ১ আগষ্টক অসহযোগ আন্দোলনৰ উদ্বোধন দিবস বুলি ঘোষণা কৰিলে। তাৰ পাচৰ পৰাই গোটেই দেশতে আন্দোলনৰ জুই জ্বলি উঠিল। হৰতাল, সভা, শোভাযাত্ৰা, আদিয়ে ইংৰাজ শাসকৰ গাদী কপাই তুলিলে। ফলত পুলিচৰ লগত আৰম্ভ হ'ল সংগ্ৰাম যাৰ ফলত আন্দোলনকাৰীসকলৰ ওপৰত চলালে নিষ্ঠুৰ অত্যাচাৰ।

**অসহযোগ আৰু প্ৰথম কাৰাদণ্ড:**

১৯২১ চনৰ শেষৰ পিনে ইংল্যাণ্ডৰ কোঁৱৰ ভাৰতলৈ আহে আৰু ইংৰাজ চৰকাৰে উক্ত ৰাজকোঁৱৰক অভ্যৰ্থনা জনাবৰ কাৰণে ডাঙৰ আয়োজন কৰে। জৱাহৰ লালৰ নেতৃত্বত কংগ্ৰেছদলে ইয়াৰ বিৰোধিতা কৰাৰ ফলত কিছুমান নেতাৰ কাৰাদণ্ড হয় আৰু তাৰ লগতে জৱাহৰলাল নেহৰুও জেলত গৈ ছয়মাহ কটাব লগা হ'ল।

**মিউনিচিপেলিটিৰ কাম:**

জেলৰ পৰা মুকলি হৈ জৱাহৰলাল এলাহাবাদ মিউনিচিপেলিটিৰ চেয়াৰমেন হয় ১৯২৩ চনত। প্ৰায় দুবছৰ এই পদত থাকি শেষত কমলা নেহৰুৰ অসুখৰ চিকিৎসাৰ কাৰণে ইউৰোপলৈ যাব লগা হ'ল কাৰণেই তেওঁ চেয়াৰমেনৰ পদ ত্যাগ কৰিলে।

**কংগ্ৰেছৰ সভাপতি:**

১৯২৮ চনত জৱাহৰলাল শ্ৰমিক আন্দোলনৰ লগত জড়িত হয়। তেওঁ সেই বছৰ ট্ৰেডইউনিয়নৰ সভাপতি নিৰ্ব্বাচিত হয়।

১৯২৯ চনত লাহোৰত বহা ভাৰতীয় জাতীয় মহাসভা বা কংগ্ৰেছৰ অধিবেশনত জৱাহৰলাল সভাপতি নিৰ্ব্বাচিত হয়। এই স্মৰণীয় অধিবেশনত ভাৰতীয় জাতীয় আন্দোলনৰ লক্ষ্য "পূৰ্ণ স্বাধীনতা'ৰ প্ৰস্তাৱ গৃহিত হল।

**নাভাৰ জেলত:**

পঞ্জাবৰ মহাৰজাক ইংৰাজ বিলাকে ১৯২৩ চনত গাদীচ্যুত কৰি এজন ইংৰাজ বিষয়াক নাভাৰ শাসক নিযুক্ত কৰিলে। সেই বিষয়ে পঞ্জাৱত ঘোৰ বিদ্ৰোহ হয় আৰু পাঞ্জাবীসকলে ভাৰতীয় কংগ্ৰেছী নেতা জৱাহৰলালক আৱহান কৰাত তেওঁ তালৈ যায় আৰু ফল স্বৰূপে ষড়যন্ত্ৰকাৰী বুলি তেওঁক নাভা জেলত আবদ্ধ কৰি ৰাখে দুই বছৰ ছয় মাহৰ কাৰাদণ্ডেৰে।

**ইউৰোপ ভ্ৰমণ:**

১৯২৫ চনত কমলা নেহৰুৰ চিকিৎসাৰ কাৰণে ইন্দিৰা, ভনী আৰু ভনী জোঁৱাইৰ সৈতে চুইজাৰলেণ্ডলৈ যায় আৰু বেমাৰ আৰোগ্য হোৱাত ইংল্যাণ্ড, ফ্ৰান্স আৰু জাৰ্ম্মানীলৈ যায়। তাত থকাত কমলা সম্পূৰ্ণ আৰোগ্য হয় আৰু ১ বছৰ ৯ মাহ পিছত আকৌ ভাৰতলৈ উলটি আহে।

**মাদ্ৰাজ অধিবেশন:**

১৯২৭ চনত মাদ্ৰাজত কংগ্ৰেছ মহাসভা বহে। আৰু উক্ত মিটিঙত কেইটামান মূল্যবান প্ৰস্তাৱ দাঙি ধৰিবলৈ জৱাহৰলাল সেই অধিবেশনত যোগদান কৰে। সেই সময়ত বৃটিছ প্ৰতিনিধি চাইমন চাহাব ভাৰতলৈ আহিছিল। অনতি পলমে নেহৰু আৰু গান্ধীয়ে চাইমনে ভাৰত ত্যাগ কৰিব লাগে বুলি প্ৰস্তাৱ দাঙি ধৰে আৰু কলা পতাকা উৰুৱাই চাইমনক অসন্মান কৰে। ১৯২৯ চনৰ ৩১ ডিচেম্বৰৰ দিনা মাজৰাতি কংগ্ৰেছৰ সৰ্ব্ব সন্মতিক্ৰমে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গৃহিত হ'ল।

**স্বৰাজ ভৱন:**

জৱাহৰলালৰ দেউতাক মতিলাল নেহৰুৱে গান্ধীৰ লগত আলোচনা কৰি নিজৰ "আনন্দভৱন"ক দেশৰ নামত উছৰ্গা কৰি 'স্বৰাজ ভৱন' নাম দি কংগ্ৰেছৰ প্ৰধান কেন্দ্ৰ কৰি দিলে।

### পিতৃ বিয়োগ :

১৯৩১ চনত ১ জানুৱাৰীৰ দিনা সস্ত্ৰীক জেলত যায় আৰু ২৬ জানুৱাৰীৰ দিনা তেওঁলোকে মুক্তি পায়। ইতিমধ্যে পিতাকৰ নৰিয়াৰ বাতৰি শুনি এলাহাবাদ পায় কিন্তু ১৯৩১ চনৰ ৬ ফেব্ৰুৱাৰীৰ দিনা পিতৃ দেৱক চিৰ কালৰ বাবে হেৰুৱায়।

### বিয়াল্লিছৰ গণবিপ্লৱত :

১৯৪২ চনৰ ৮ আগষ্টৰ দিনা কংগ্ৰেছে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাব দাঙি ধৰিলে যে বৃটিছে ভাৰত ত্যাগ কৰিবই লাগিব। এই প্ৰস্তাবৰ ফল স্বৰূপে পিছদিনা বাতিপুৱা চৰকাৰে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, চৰ্দাৰ বল্লভাই পেটেল, মৌলনা আবুল কালাম আজাদ আদি বিপ্লৱী নেতাসকলক গ্ৰেপ্তাৰ কৰিলে। কৰ্ণেল এমৰিয়ে ঘোষণা কৰিলে যে যেনেকৈয়ে হওঁক স্বাধীনতা আন্দোলন বন্ধ কৰিব লাগিব। গতিকে বিপ্লৱীসকলৰ ওপৰত বৰ্ষিত হ'ল বন্ধুকৰ গুলি। ১৯৪৫ চনত সকলো বন্দীকে মুক্তি দিয়ে। এই সময়ত ভাৰতৰ নিৰ্ব্বাচন হৈ যায় আৰু আঠখন প্ৰদেশত কংগ্ৰেছে সংখ্যা গৰিষ্ঠতা লাভ কৰি ৮ খন প্ৰদেশত কংগ্ৰেছী মন্ত্ৰী সভা গঠন কৰে।

১৯৪৭ চনৰ ৩ জুনত ভাৰতৰ গভৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্টবেটেনে বৃটিছ মন্ত্ৰী সভাৰ অনুমতিত ভাৰত বৰ্ষক স্বাধীনতা দিবলৈ আহে কিন্তু হিন্দু মুছলমানৰ দাবীৰ চেলু লৈ স্বাধীনতা ঘোষণা নকৰাকৈ আকৌ ইংল্যাণ্ডলৈ গুচি গ'ল।

### ১৯৪৭ চনৰ ভাৰত-স্বাধীনতা আইন (Indian Independence Act of 1947) :

ভাৰত স্বাধীন আইন ১৯৪৭ চনৰ ৪ জুলাইত মাউণ্টবেটেনে বৃটিছ সংসদত উত্থাপন কৰে (Introduce) আৰু সেইখনেই ১৮ জুলাই তাৰিখে স্বাধীনতা আইন নামেৰে গৃহিত হয়। কিন্তু তথাপি নতুন সংবিধান সভাই ১৫ আগষ্টৰ আগতে স্বাধীনতা নেপালে। ১৯৩৫ চনৰ আইনমতে নতুন সংবিধান নোহোৱা পৰ্য্যন্ত কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰশাসন চলাব লগা হ'ল।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত ভূমিত দুখন স্বতন্ত্ৰবীয়া ৰাষ্ট্ৰ গঠিত হয়। ভাৰতৰ বাবে লৰ্ড মাউণ্ট-বেটেনে অধিনায়ক ৰাজ্যপাল হয় আৰু আনফালে মহম্মদ আলী জিন্না পাকিস্থানৰ অধিনায়ক ৰাজ্যপাল হয়। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান নেতা মহামানৱ মহাত্মা গান্ধীৰ পিছতেই নেহৰুৰ স্থান আছিল আৰু গান্ধীজীৰ প্ৰিয় নেতা জৱাহৰলাল নেহৰু গান্ধীজীৰ আদৰ্শৰেই দেশৰ কল্যাণ সাধনত ব্ৰতী হয়।

### স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী :

ভাৰতৰ অগণন জনতাই ভাৰত মাতৃৰ সুযোগ্য সন্তান জৱাহৰলালকেই গণতান্ত্ৰিক ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰীৰ পদ দিয়ে। নেহৰুৱে ভাৰতৰ সুদূৰ কল্পনা বাস্তৱ ৰূপ দান কৰিবলৈ উঠি পৰি লাগিল। কিন্তু ইতিমধ্যে ভাৰতৰ মহান বন্ধু মাহাত্মা গান্ধী, নৰপিশাচ নাথৰামৰ গুলিত চিৰকাললৈ শোকৰ ছাঁয়া পেলাই স্বৰ্গলৈ গুচি গ'ল। এই মহান পিতৃতুল্য মানৱ দেৱতাৰ বিয়োগত নেহৰুৱে মৰ্ম্মান্তিক আঘাট পালে। নেহৰুৱে দেশৰ উন্নতিৰ অৰ্থে ভাৰতৰ চুকে কোণে ভ্ৰমণ কৰি পৰিস্থিতি অনুসাৰে দেশৰ সেৱা কৰে। নেহৰুজীৰ দেশ সেৱাৰ পৰিচয় আমাৰ অসমৰ কাৰ্য্য কলাপ ভালদৰে পৰ্য্যালোচনা কৰি চালে উপলব্ধি কৰিব পৰা যাব। তেওঁ ১৪ বাৰ ১৪টা আচনি সমাধানাৰ্থে অসম ভ্ৰমণ কৰাৰ তালিকাখন উল্লেখ কৰা হ'ল। ১৯৩৮ চনত ভাৰতীয় কংগ্ৰেছৰ সভাপতি ৰূপে, ১৯৪২ চনত দ্বিতীয় মহাযুদ্ধৰ অন্তৰৱৰ্তী ঠাই দৰ্শনাৰ্থে ১৯৪৫ চনত মহাযুদ্ধৰ সামৰণিত দেশৰ পৰিস্থিতি দৰ্শানাৰ্থে ১৯৫০ চনত ডাঙৰ ভূইকপৰ পাছত, ১৯৫১ চনত সাধাৰণ নিৰ্ব্বাচনৰ আগে আগে, ১৯৫৩ চনত জন–জাতীয় অঞ্চল ভ্ৰমণ কৰিবলৈ ১৯৫৫ চনত ৰুছ ভ্ৰমণৰ পাছত, ১৯৫৬ চনত তেল শোধনাগাৰ স্থাপনৰ সমস্যা সমাধানৰ বাবে, ১৯৫৮ চনত প্ৰাগজ্যোতিষপুৰ কংগ্ৰেছলৈ ১৯৬০ চনত উমিয়ন জলবিদ্যুৎ স্থাপনৰ প্ৰচেষ্টা আৰু ব্ৰহ্মপুত্ৰ দলঙৰ আধাৰ শিলা স্থাপনাৰ্থে, ১৯৬০ চনত ভাষা আন্দোলনৰ সময়ত , ১৯৬০ চনত অশান্ত উত্তৰ পূৱ সীমান্ত অঞ্চল পৰিদৰ্শন কৰিবলৈ, ১৯৬২ চনত গুৱাহাটী তেলশোধনাগাৰ আৰু চীনা আক্ৰমণৰ

কালছোৱাত আৰু ১৯৬৩ চনত ব্ৰহ্মপুত্ৰৰ দলং স্থাপনৰ অৰ্থে নেহৰুজী আমাৰ অসম দেশলৈ আহি অসমী আইৰ উন্নয়নমূলক কামত যুগান্তৰ আনে। নেহৰুজীৰ অসমৰ কাৰ্য্যৰ প্ৰতি থকা আপ্ৰাণ চেষ্টাই ভাৰতৰ প্ৰতি থকা দেশ প্ৰেম তথা উন্নয়নমূলক কাৰ্য্যৰ কথা উপলব্ধি কৰিব পাৰি।

## নেহৰুৰ ব্যক্তিত্ব আৰু মহানুভৱতা :

ভাৰতীয় স্বাধীনতা আন্দোলনৰ বুৰঞ্জীত পণ্ডিত জৱাহৰলাল নেহৰুৱে একমাত্ৰ যোদ্ধা যিজনে সদায় পূৰ্ণ স্বাধীনতাৰ পোষকতা কৰি আহিছিল। তেওঁৰ আছিল অতি উচ্চ আদৰ্শৰ বৈচিত্ৰ্যসম্পন্ন মন আৰু অসাধাৰণ ব্যক্তিত্ব। অভিজাত সম্প্ৰদায়ৰ উপৰিও তেওঁ আছিল গণতান্ত্ৰিক আদৰ্শৰ প্ৰতিভূ। তেওঁৰ শিক্ষা, দৃষ্টিভংগী আৰু যিখিনি তেওঁ কৰি গ'ল এই সকলো খিনিতে তেওঁ প্ৰাচ্য আৰু পাশ্চাত্যৰ এক অপৰ্ব্ব সংমিশ্ৰণৰ প্ৰতিনিধিত্ব কৰিছিল। বিজ্ঞান আৰু সংস্কৃতিৰ ক্ষেত্ৰত তেওঁ একে ধৰণে প্ৰাচীনত্বৰ লগত অত্যাধুনিক বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ সংমিশ্ৰণ ঘটাইছিল।

নেহৰু আছিল অতি স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ আৰু তেওঁ ব্যৱহাৰিক মূল্যৰ প্ৰতি দৃষ্টি থকা মহান কল্পনাবিলাস। আজীৱন তেওঁ দেশৰ জন সাধাৰণৰ ওচৰত নেতৃত্ব কৰিছিল তেওঁৰ মহান নৈতিক গুণ ৰাজিৰ পূৰ্ণ ব্যৱহাৰৰ দ্বাৰা।

এডোৱাৰ্ড টমছনে তেওঁক পৃথিৱীৰ শ্ৰেষ্ঠ বুদ্ধিজীৱি সকলৰ অন্যতম বুলি সম্বৰ্দ্ধনা জনাইছিল। পালবাৰ্কে কৈছে "নেহৰু ৰাজনীতিৰ মেৰ পাকত সোমাই নপৰা হেঁতেন, পৃথিৱীয়ে কি সৃষ্টিয়ে যে তেওঁৰ পৰা নাপালে হেঁতেন।"

## নেহৰুৰ মৃত্যু :

১৯৬৪ চনৰ ২৭ মে'ৰ দিনা একবাজি পঞ্চাশ মিনিট যোৱাত স্বাধীন ভাৰতক এক সুউচ্চ আদৰ্শ আৰু পবিত্ৰতাৰ প্ৰতীক ৰূপে ৰূপায়িত কৰা আজীৱন সংগ্ৰামী জৱাহৰলাল নেহৰু ভাৰতবাসীক কন্দুৱাই স্বৰ্গী হ'ল। তেওঁৰ মৃত্যুত ভাৰত তথা সমগ্ৰ বিশ্বৰ অপূৰণীয় ক্ষতি হ'ল আৰু বিশ্বই এজন মহান নেতাক হেৰুৱালে। নেহৰুৰ মৃত্যুত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি চাৰ্লছ ডি গলে লিখিছিল "এই মহাপুৰুষ জনে দেশ সেৱা আৰু বিশ্বৰ শান্তিৰ বাবে জীৱন অৰ্পণ কৰিলে।"

মাৰ্কিণ দেশৰ ৰাষ্ট্ৰপতি ডঃ জনছনে নেহৰুৰ মৃত্যুৰ বাতৰিত কৈছিল "নেহৰুৰ মৃত্যুত ভাৰত তথা সমগ্ৰ মানৱ জাতিৰ যথেষ্ট ক্ষতি হ'ল।"

ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁ গান্ধীজীৰ পিছতে সেনানায়ক আছিল। আজি নেহৰু যদিও আমাৰ মাজত নাই কিন্তু ৰৈ গৈছে তেওঁৰ আদৰ্শ সেই আদৰ্শই উজ্জ্বল ভাবে ভাৰতবাসীৰ অজ্ঞান আন্ধাৰ দূৰ কৰিব। তেওঁৰ আদৰ্শই গঢ়ি তুলিব শত শত গান্ধী আৰু নেহৰু।



# গোৱালপৰীয়া গীত-মাত

শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মা
প্ৰাক্ বিশ্ববিদ্যালয় (কলা)

আন আন কথিত ভাষাৰ দৰে গোৱালপৰীয়া কথিত ভাষাৰো এটা নিজস্ব বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰ আন কোনো ভাষা সাহিত্যৰ পৰা ধাৰ কৰা বা অনুকৰণ কৰা নহয়; বৰং ই এক স্বকীয়া সংস্কৃতিৰ বাহন। গোৱালপৰীয়া ভাষাৰ এই গীত-মাতবোৰ বিশ্বৰ উচ্চ স্তৰৰ অলিখিত সাহিত্যবোৰৰ লগত অনায়াসে ফেৰ মাৰিব পৰা বিধৰ।

গোৱালপৰীয়া ভাষাত যিবিলাক গীত মাত আছে, সেইবোৰ অতি অৰ্থপূৰ্ণ আৰু সংস্কৃতিমূলক। গোৱাল পৰীয়া লোকেও বাস্তৱৰ নিষ্ঠুৰ আঘাট, বিৰহ, সুখ-দুখ, হাঁহি-কান্দোন উপলব্ধি কৰিছিল আৰু সেইবোৰ তেওঁলোকে গীত মাতেৰে প্ৰকাশ কৰিছিল। এনেকি সৰু ল'ৰা ছোৱালীৰ নিচুকনি গীত, খেলৰ গীত আদিও হোজা গাৱঁলীয়া খাতিখোৱা স্বভাৱ কবি সকলৰ মুখত ফুটি উঠিছিল। গীতবোৰৰ কিছুমান দেহতত্ত্ব-মূলক, কিছুমান প্ৰেমমূলক আৰু কিছুমান ভক্তিমূলক।

এই মানৱ জীৱন দুদিনীয়া। এদিন সকলোৱে এই মায়াৰ সংসাৰ এৰি কোনোবা অজান দেশলৈ গুচি যাবই লাগিব। গতিকে এই অস্থায়ী মানৱ দেহৰ ৰূপ, সৌন্দৰ্য্য আদিলৈ গৌৰৱ কৰি একো লাভ নাই। মৃত্যুৰ পিছত এই ৰূপ সৌন্দৰ্য্য চিৰদিনলৈ মাটিত মিহলি হৈ যাব। সেয়ে, জীৱন আৰু সংসাৰৰ প্ৰতি তিক্ততা উপলব্ধি কৰা কোনো এক বৈৰাগী স্বভাৱ কবিয়ে দোঁতৰাৰ বুকুত মুৰ্চ্চনা তুলি মানৱ জীৱনৰ অসাৰতা খিনি ব্যক্ত কৰি গাইছিল।

"অ মন ৰচনা মানৱ দেহৰ
গৌৰৱ কইৰো না
মানৱ দেহ মাটিৰ ভাণ্ড
ভাঙিলে হবৰে খণ্ড খণ্ড
খণ্ড দেহে আৰ জোৰা লাগবেনা।"

তথাপিও যে এই জীৱন প্ৰত্যেকৰ বাবে মৰমৰ। মৰিবলৈ কোনে ভয় নকৰে? জীয়াই থকাৰ হেপাহ কাৰ নাই? সেয়ে জীৱনক কৈছে 'হে জীৱন তুমি মোক এৰি নাযাবা তুমি এৰি গলে মোক কোনে আদৰ কৰিব।

"অ' জীৱন চাৰিয়া নাযাইছ মোৰে
তুই জীৱন চাৰিয়া গেইলে আদৰ
কেৰে জীৱনৰে"।

এই জীৱনটো কচুপাতৰ পানীৰ দৰে খন্তেকীয়া কচুৰ পাতত পানী পৰি যেনেকৈ টলবল কৰি থাকে আৰু অলপ বতাহ বা কৰবাৰ আঘাট পালে যেনেকৈ সৰি পৰে, মানৱ জীৱনো তেনেকুৱা।

"কচুৰ পাতেৰ জল যেমনৰে
অ জীৱন টলমল টলমল কৰে।"

মানুহে জানে মানৱ জীৱন খন্তেকীয়া, তথাপিও তেওঁলোকে ধনলৈ আশা কৰে। কিন্তু ইমান কষ্ট কৰি অৰ্জা ধন জানো কাবোবাৰ লগত যাব? মিছা মায়াৰ বান্ধোন। জীয়াই থকাৰ দিন কেইটাহে এক মায়াৰ ডোলেৰে বান্ধ খাই থাকে। মৰিলে কোনেও লগত নাযায়। ভাই ভতিজা, ধন, সম্পত্তি আদি জীয়াই থকা কালতহে আপোন। মৰাৰ পিছত সব পৰ সব অৰ্থহীন হৈ যায়।

"ভাই দেখুং ভতিজা দেখুংৰে
অ' জীৱন সম্পদ কালেৰ সাথী"

এই ধন সম্পদ ভাই ভতিজা সকলো মিছা। কোনেও লগত নাযায়। যাব কেৱল ভগৱান অৰ্থাৎ ভগৱানৰ বাহিৰে কোনো বন্ধু নাই।

"বৰ ঘৰেৰ বড় বাড়ীৰে
অ জীৱন সম্পদ কালেৰ সাথী
মৰিবাৰ কালে কেউ যাবেনা
গোবিন্দ সাৰথি।"

গতিকে একমাত্র ভগৱানক বাহিৰে সকলো মিছা।

এই ভক্তিমূলক আৰু দেহতত্ত্বমূলক গীতবোৰৰ বাহিৰেও এবিধ গীত আছে, এইবোৰ হল প্ৰেমমূলক গীত। মানৱ জীৱনৰ যৌৱনৰ অদম্য কামনা বাসনা, বিৰহ বেদনা হাঁহি কান্দোন তেওঁলোকে গীত মাতৰ মাজেৰে প্ৰকাশ কৰিছে। হাতীৰ মাহুত ম'হৰখীয়া নাৱৰীয়া আদি সাধাৰণ মানুহৰ জীৱনত ঘটি অহা কিছুমান ঘটনাকে লৈ সুন্দৰ বচনা কৌশলৰ দ্বাৰা তেওঁলোকৰ মনৰ ভাববোৰ প্ৰকাশ কৰিছে। এইবোৰ যদিও সাধাৰণ মানুহক লৈ বচনা কৰা তথাপিও ইয়াত যথেষ্ট সত্যতা আৰু বাস্তৱতা লুকাই আছে। সাধাৰণ মানুহৰ মনত প্ৰেম ভাল পোৱা আদি অনুভূতিবোৰ নেথাকে বুলি ভাবিলে ভুল হব। দৈনন্দিন জীৱনত ঘটি অহা বাস্তৱৰ নিষ্ঠুৰ আঘাটবোৰ, প্ৰেমৰ বিৰহ বেদনাবোৰ তেওঁলোকে গীতৰ সুৰেৰে সুন্দৰকৈ ফুটাই তুলিছে।

যৌৱনৰ দুৱাৰ দলিত উপস্থিত হলে প্ৰত্যেকৰ মনত প্ৰেমৰ জোৱাৰ আহে। কোনোবাই সংযত হয় ধৈৰ্য্যৰে আৰু কোনোবাই অসংযত হৈ ধৈৰ্য্যহীন হয়। কিন্তু ধৈৰ্য্যহীন হৈ প্ৰেমত পৰিলেই যে ভুল কৰা হয় তাৰ কোনো অৰ্থ নাই। সকলোৰে মন যায় মৰম পাবলৈ বা নিজৰ মৰম চেনেহখিনি আন কাবোবাক দিবলৈ ই যৌৱনৰ দাবী। প্ৰেমৰ লগত ধনী দুখীয়াৰ পাৰ্থক্য নাই। প্ৰেমে ধন দৌলত নিবিচাৰে, বিচাৰে মাথোন এখন মৰম ভৰা সহানুভূতিশীল অন্তৰ। সেয়ে বিচাৰি যায় এখন মৰম ভৰা অন্তৰ। যৌৱনক বান্ধি ৰখা সহজ নহয়। সেয়ে গাইছে।

"আৰকত কাল বান্ধিবা যৌৱন
নিজক বুজাইবাৰে।"

কোনো সুঠাম যুবকে কোনো এক শুভ মুহূৰ্ত্তত বিচাৰি পায় এখনি দৰদী অন্তৰ, যত তেওঁ বহুত আশা কৰিছিল। কিন্তু সেই দৰদী অন্তৰখন কেতিয়াবা গুচি যাব বুলি ভয় খাই গাইছে।

"চাৰিয়া নাৰাইচৰে কন্যা
বুকে শেল দিয়া
তুই কন্যা চাবিয়া গেইলে
মবুৰে বুকে হানা দিয়া।"

প্ৰিয়তমাইও তাইৰ ঘৰলৈ প্ৰিয়তমক যাবলৈ নিমন্ত্ৰণ কৰিছে, এইদৰে—

"আমাৰ বাড়ীত যাইও বন্ধুৰে
অ' বন্ধু বসতে দিব পিৰা,
খাইতে দিব পাণ চুপাৰি,
শালি ধানেৰ চিৰা।"

কিন্তু তাইৰ প্ৰিয়তমে যাবলৈ ভয় কৰিছে। কিজানি তাইৰ অভিভাৱকে সিহঁতৰ মাজত থকা গোপন প্ৰেমৰ কথা গম পায়। কিন্তু প্ৰিয়তমাই একো ভয় নাই বুলি কৈ কোনটো তাইৰ ঘৰ কৈছে--

"বন্ধু যাইও যাইও
যাইও সোণাৰ বন্ধু নাকৰেন ভয়
উচচা কলাৰ বাগান
সেই বাৰীটা হয়।"

কিন্তু প্ৰিয়তমে সেই আশ্বাস বিশ্বাস কৰিব পৰা নাই।

"তুমি থাকিলে সহায়
আমি যাইতে পাৰি
(পাছে) ভলুকা বাছেৰ দাঙ্গে
কোমৰ ভাইঙ্গা যায়।

সময় পৰিবৰ্ত্তনৰ লগে লগে তেওঁলোকৰ প্ৰেমও পৰিবৰ্ত্তন হ'ল। মনে সজা প্ৰেমৰ কাৰেং বাস্তৱৰ নিষ্ঠুৰ আঘাটত চাৰখাৰ হব লগা হ'ল। প্ৰিয়তমে বিদেশলৈ যাব ওলোৱাত প্ৰিয়তমাই প্ৰেম বিহ্বল আকুল ভাৱেৰে অনুৰোধ কৰিছে—

"অ' বন্ধু কাজল ভোমোৰাৰে
কোন দিন আসিবেন বন্ধু কইয়া যানবে।"

প্ৰিয়তমাৰ স্মৃতি স্বৰূপ কিবা এটি এৰি যাবলৈ কৈছে যাক চাইয়ে তাই শোক পাতলাব পাৰে--

"যদি বন্ধু যাবাৰ চান্
ঘাড়েৰ গামছা থইয়া যানবে
যদি বন্ধু যাবাৰ চান
হাতেৰ আঙঠি থইয়া যানবে।"

ইত্যাদি

আকৌ হাতীৰ মাহুত বা ম'হবাখালৰ মাজতো এই গীতৰ প্ৰভাৱ আছে। হাতীৰ মাহুতক তেওঁৰ প্ৰিয়াই সুধিছে তেওঁৰ ঘৰ ক'ত, বিয়া কৰাইছেনে নাই, গলে আকৌ আহিবনে নাই।

"তুমবা গইলেন কি আসিবেন মোৰ মাহুত বন্ধুৰে
হস্তীৰে চাৰো হস্তিনাৰো হস্তীৰ গলায় ধৰি
অ'ৰে সত্য কৰিয়া কওৰে মাহুত ঘৰে কয়জন নাৰী।"

মাহুতো কম নহয়। সিও তৎক্ষণাৎ উত্তৰ দিছে—

"হস্তী চাৰং হস্তী নাৰং হস্তীৰ গলায় ধৰি
অ'ৰে সত্য কৰিয়া কহিলং কন্যা বিয়া নাহি কৰি।"

মাহুতৰ এই ফুচলনিত তাই ভোল গ'ল। কিন্তু এদিন মাহুতে তাইক এৰি গুচি গ'ল। দুখে তাইৰ জীৱনৰ চিৰ সহচৰ হ'ল। পূৰ্ব্বৰ কথাবোৰ স্মৰণ কৰি তাইৰ মন বিৰহত দেই পুৰি যাবলৈ ধৰিলে। নিজৰ ভুল বুজিব পাৰিলে।

বুজিলে মাহুতৰ চালাকি। পুৰুষে নাৰীৰ অন্তৰ নুবুজে বুলি বেজাৰ কৰিলে—

"আজি আউলাই লেন মোৰ মাহুত বন্ধুৰে
হস্তীৰ পিঠিত চৰিয়া মাহুত কিসেৰ বাতুল মাৰো
নাৰীৰ বুকেৰ বেদনা পুৰুষে কি বুজোৰে।"

সঙ্গীহীন জীৱনৰ দুখ বেদনাবোৰ অসহ্য হৈ উঠিছে। এই সঙ্গীহীনতাত তাই মাহুতৰ কথা পাহৰিব পৰা নাই। ঘনে ঘনে মাহুতৰ ছবি তাইৰ মানস পটত জিলিকি উঠিছে।

"কদম গাছেৰ ছায়া যেমন
মোৰ বন্ধুৰ মায়া তেমন।" ইত্যাদি।

উতনুৱা চফল ডেকাৰ আকৌ বিয়া কৰাবলৈ নেপাই ঘৰত মনটো নবহে। সেয়ে বুঢ়ী মাকক কৈছে—

"মোৰ নৈদানী কোণ্টাই গেইল
ঘৰত নায় মনটা
আবো ভাবিয়া মৰং মনেৰ দুখতে
অ' মোৰ ঘৰত নাৰয় মনটা।"

আজি কালি কুৰি শতিকাত পোছাক-পাতিৰ যি আলোড়ন উঠিছে সিও এইবোৰ গীতত ঠাই পাইছে। ঘৈণীয়েকে গিৰীয়েকক নাইলন শাৰী আৰু টেৰেলিনৰ ব্লাউজ আদি খুজিছে।

"এখান কথা কবাৰ চাং
মুই কথা খানা কং
নাইলন শাৰী দিবেন মোক
কেনে কৰেণ ঢং
টেৰেলিন ব্লাউজ দিবেন মোক
কেনে কৰেণ ঢং।"

বেচেৰা দুখীয়া গিৰিয়েকে দিম দিম বুলি ফাঁকি দি আছে। পিছত দিয়া আশা নেদেখি ঘৈণীয়েকে কৈছে

"শাৰী যদি নাদেন মোক
কথা আৰনা কম
কথাতে মজাইছেন মোক
না কৰেণ আৰ ৰং।"

এইবিলাকৰ উপৰিও গিৰীয়েক ঘৈণীয়েকৰ যুগ্ম জীৱনৰ কিছুমান ঘটনাও ইয়াত সুন্দৰভাবে ফুটি উঠিছে। যুগ্ম জীৱনত গিৰীয়েক ঘৈণীয়েকৰ মাজত কাজিয়া পেচাল হয় আৰু তাৰ ফলত এৰা-এৰি, ইংৰাজীত যাক Divoce কৰা বুলি কয় তেনে ঘটনাও হয়। উদাহৰণস্বৰূপে গিৰীয়েকে কিবা কাৰণত ঘৈণীয়েকক মাৰিলে ঘৈণীয়েকে মনৰ দুখতে চিৰদিনৰ বাবে গিৰীয়েকক এৰি গুচি যাবলৈ ওলাইছে। তাই কৈছে যে ল'ৰা-ছোৱালী, ঘৰ-বাৰী সকলোবোৰ থাকিল। তাই আৰু এই জীৱনত তাৰ ঘৰলৈ নাহে।

"মুইতো ৰহিবাৰ নাহং চাঙনা
যাম মুই বাপেৰ বাড়ী
দুই পাৱ মুচিয়া দিম তোৰ
বাপ্ দাদাৰ বাড়ী।
চাওঁৱা ৰৈল পাওঁৱা ৰৈল
আৰো ৰৈল বাড়ী
এই জীৱনে আসিবাৰ নাহং
আৰ তোৰে বাড়ী।"

গাৱঁলীয়া ল'ৰা ছোৱালীবোৰৰ খেলৰ সময়ত গোৱা গীতবোৰ মন কৰিবলগীয়া। কেইজনমান সৰু সৰু ল'ৰা ছোৱালী লগ হৈ সিহঁতৰে এজন তিয়ঁহৰ মালিক হব আন কেইজন গৰখীয়া ল'ৰা হব। তিয়ঁহৰ মালিক জনে তিয়ঁহ ৰুই থকা অৱস্থাত গৰখীয়াহঁতে তিয়ঁহ খুজিবলৈ আহে কিন্তু মালিকজন কৃপণ বাবে

সিহঁতক নিদিয়া দেখি গোটেইবোৰ তিয়ঁহ চোৰ কৰি নিয়ে আৰু মালিকে সিহঁতক বিচাৰি উলিয়ায় আৰু তেতিয়া সিহঁতে খুব আনন্দ কৰে। গীতবোৰ—

গৰখীয়া ল'ৰা
'চিৰকিতি মিৰকিতি বাঁহৰ শালা
ৰাজাই খুজিছে তিয়ঁহৰ জালা ।''

মালিক --


এখন হে ৰুইচুং । পাছত আইভি ।
গৰখীয়া ল'ৰা
চিৰকিতি মিৰকিতি বাঁহৰ শালা
ৰাজাই খুজিছে তিয়ঁহৰ জালা ।
মালিক —ৰ' এখনহে পুলি হৈছে । পাছত আইভি যা ।......ইত্যাদি ।

পুহ মাহত ধনী দুখীয়া সকলোৰে ঘৰত এমুঠি ধান থাকে। এই সময়তে গাৱঁলীয়া ল'ৰাবোৰে পুহ আৰু আঘোণ মাহৰ পূৰ্ণিমাত দল বান্ধি মাগন কৰিবলৈ ওলায়। মাগনৰ সময়ত তেওঁলোকৰ এজনে লগাই দিব, বাকী বোৰে গান গাই যাব ।

অৰি অৰি মহালক্ষ্মী চৰণী
ধান পুণ কড়ি পুণ
ধান নেদ্‌লি চতাল খুন,
চতাল খুন্দা যায়বে
ভৈচৰ শিং হেকা বেকা
তাতে পৰিল মাছবোকা
মাছবোকাবে বিতু তু
মুৰটো টিপলি ওলাল ঘিউ ।

এনেকৈয়ে গোৱালপৰীয়া লোকসকলে মাগন বা তেওঁলোকৰ ভাষাত 'অৰমাগন' সমাপ্ত কৰে। ঠিক এই নিচিনা আৰু বহুতো ফকৰা যোজনা আদি আছে।

কিন্তু সংসাৰ পৰিবৰ্ত্তনশীল। দিনৰ পিছত ৰাতি আছেই। গতিশীল সমাজৰ ঘঁহনি খাই খাই গোৱালপৰীয়া ভাষাত বিভিন্ন ৰূপত পৰিবৰ্ত্তন নোহোৱাৰ কোনো কাৰণ নাই। মূল গোৱালপৰীয়া ভাষা আজি কালৰ সোঁতত নানা অংশ বিশেষত নানা ৰূপ ললে। ঠাই বিশেষে মূল গোৱালপৰীয়া ভাষাত আন ভাষাৰ চাপ নপৰাটো একো আচৰিত নহয়। সেই বাবেই আজি গোৱালপৰীয়া ভাষা এটা উপ ভাষা বুলি মানুহে ভাবে । কিন্তু দকৈ ভাবি চালে দেখা যায় যে ই উপ ভাষা নহয়েই বৰং এটা স্বতন্ত্ৰীয় আৰু সুকীয়া ভাষাহে। বহুতে ভবাৰ দৰে গোৱালপৰীয়া ভাষাটো বঙালী আৰু অসমীয়াৰ মিশ্ৰ ভাষা নহয় নাইবা ই অসমীয়া ভাষাৰ গ্ৰাম্য ৰূপো নহয়। কিছুমান ভাষাবিদৰ মতে গোৱালপৰীয়া ভাষাটোৰ জন্ম বঙালী আৰু অসমীয়া ভাষাৰ জন্মৰ আগতেই হয়। কিন্তু দুৰ্ভাগ্যবশতঃ সেই ভাষাটোত যথেষ্ট পৰিমাণৰ লিখিত সাহিত্যৰ সৃষ্টি নহল , বা যি দুই এখন তামৰ বা শিলৰ ফলি বা সাঁচি পাতৰ পুথি আছে সেয়াও দুখ লগাকৈ দুৰ্ব্বধ্য। ইয়াৰ ওপৰত ভাল গৱেষণা পৰীক্ষা নিৰিক্ষা চলালে হয়তো বহুতো সাহিত্য সম্পত্তি উদ্ধাৰ হব।



# কবি আৰু কাব্যৰ স্বৰূপ

কুমাৰী অন্নে দাস
প্রথম বাৰ্ষিক (কলা)

সাহিত্য জগতত কাব্য সাহিত্যই অতি প্রাচীন কালৰ পৰাই শ্রেষ্ঠ সাহিত্য ৰূপে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। কাব্য বুলিলে তাৰ লগত সম্বন্ধ থাকিব কবিৰ; কিয়নো কবিয়েহে জন্ম দিয়ে কাব্যৰ। এই কাব্য আৰু কবিনো কি তাকে জুকিয়াই চাবলৈ সকলোৰে মনত নিশ্চয় প্রবল ইচ্ছা হয়।

সাধাৰণ অৰ্থত কবলৈ গলে কবি প্রণীত ৰসযুক্ত বাক্য যিবোৰ সেইবোৰকে সাহিত্য বা কাব্য বুলি কোৱা হয়। কোনো এটা কথা বা কাহিনীক যদি সাধাৰণ বৰ্ণনাৰে প্রকাশ কৰা হয়, তেতিয়া কথা বা কাহিনীয়ে মানুহৰ মনত আনন্দৰ সৃষ্টি নকৰিবও পাৰে; কিন্তু সেইখিনি কথা বা কাহিনীকে যদি কবি প্রতিভাৰ দ্বাৰা বাস্তৱৰ লগত কল্পনাৰ ৰহণ লগাই শব্দ মাধুৰ্য্যৰে সজাই পৰাই প্রকাশ কৰা হয়, তেতিয়া সেই কাব্যাত্মক বৰ্ণনাই আমাৰ হৃদয়স্পৰ্শ কৰি মনত অনাবিল আনন্দৰ শিহৰণ তোলে। সেয়েহে একেটা অৰ্থই কোনো ৰচনা বিন্যাসত কাব্যহৈ উঠে আৰু কোনো ৰচনা বিন্যাসত সাধাৰণ কথা হৈয়ে থাকে।

আনহাতে আকৌ এইটোও ঠিক যে বাক্যত কেৱল শব্দৰ মাধুৰ্য্য আৰু অৰ্থৰ গাম্ভীৰ্য্য বা উপদেবতা থাকিলেই কাব্য বা সাহিত্য হব নোৱাৰে। গতিকে কাব্য বা সাহিত্য হব লাগিলে এনে এবিধ বাক্য হব লাগিব, যি বাক্যত একেবাৰে পৰিলক্ষিত হব শব্দৰ মাধুৰ্য্য, অৰ্থৰ গাম্ভীৰ্য্য, ৰচনাৰ পৰিপাট্য, গুণৰ গৌৰৱ, ভাৱৰ অভিব্যঞ্জনা, ছন্দ লালিত্য ৰসৰ সমাৱেশ আৰু অলঙ্কাৰৰ ঝঙ্কাৰ আদি। এইবোৰৰ অভাৱ ঘটিলে সিবোৰ বাক্যই প্রকৃত কাব্য আকাৰ লব নোৱাৰে ?

অৰ্থৰ ফাললৈ লক্ষ্য কৰিলে দেখা যায় যে কাব্যকে সাহিত্য বুলি কোৱা হয়। কাব্য আৰু সাহিত্যৰ মাজত বহুতো সমন্বয় আছে, সেয়ে সাহিত্য শব্দই কাব্যক বুজাব পাৰে। যদি বুৎপত্তিগত অৰ্থৰ ফাললৈ চোৱা যায়, তেতিয়া দেখা যায় যে মিলন বা সংহতিৰ ভাব য'ত আছে সেয়ে সাহিত্য। "সাহিত্যস্য ভাবঃ সাহিত্য।" কাব্যত কবিয়ে সৰ্ব্ব বিদ্যাৰ জ্ঞান সংগ্রহ কৰি কল্পিত ৰচনা বৈচিত্রৰ আন্তৰিক অনুভূতিৰ সহায়ত শব্দ আৰু অৰ্থৰ সুমধুৰ মিলন ঘটাই এক প্রাণস্পৰ্শী ৰচনাৰ সৃষ্টি কৰি কাব্যৰূপে প্রকাশ কৰে। এই কাব্যকে সাহিত্য বুলি অভিহিত কৰা হয়। কিয়নো কবিয়ে সৰ্ব্ববিদ্যাৰ সহযোগৰ দ্বাৰাহে সেই প্রাণস্পৰ্শী ৰচনাৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। ধ্বনিকাৰেও কৈছে--

"বাচ্যানং বাচকাঞ্চ যদৌচিত্যেন যোজনম্ ।
ৰসাদি বিষয়ে নৈতৎ কৰ্ম্মমুখ্যং মহাকবেঃ ॥"

অৰ্থাৎ "বাচ্য অৰ্থ আৰু বাচক শব্দক, যথোচিত ৰূপে চমৎকাৰাত্মক ৰসাদি দ্যোতক ভাবে যোগ কৰা-টোৱে মহাকবিৰ মুখ্য কাৰ্য্য অৰ্থাৎ এনে সন্নিবেশ যত সেয়ে আচল কাব্য।"

চৌষষ্ঠি কলাৰ ভিতৰত কবিতাক ললিত বা সুকুমাৰ কলাত পেলোৱা হয়। ললিত কলা নিমজ, সি আমাৰ দৈনন্দিন ৰুক্ষ জীৱনক জীপ দি নিমজ আৰু ৰসাল কৰি তোলে। কবিতাই মানৱ আত্মাক এক অজানিত অনাবিল আনন্দত আপ্লুত কৰি তোলে। কবিতাই মানৱ আত্মাক ধাবিত কৰে, প্রেয় আৰু শ্রেয় সত্য, শিৱ আৰু সুন্দৰৰ ওচৰলৈ। কবিয়ে চিন্তা, অনুভূতি আৰু কল্পনা প্রতিভাৰে ফুটাই তোলে 'অন্তৰৰ গুপ্ত বেদনাবোৰ,--আত্মাৰ গুপ্ত কাহিনীবোৰ, সৃষ্টিৰ ৰহস্যবোৰ।" যেতিয়ালৈকে তেওঁলোকৰ এই জাগ্রত চেতনাক প্রকাশ কৰিব নোৱাৰে, তেতিয়ালৈকে তেওঁ-লোকৰ আত্মাই শান্তি নাপায়।

যেতিয়া বিষয়ৰ উপলব্ধি আৰু অনুভূতিৰ তাড়ণাত কবিৰ হৃদয় উদ্বেলিত হৈ উঠে, তেতিয়া নিজৰ অজানিতে কবিৰ অন্তৰলৈ আহি পৰে প্ৰকাশোপযোগী ছন্দ, অলঙ্কাৰ, শব্দ সম্ভাৰ আৰু তাৰ বিচিত্ৰ বিন্যাসৰীতি যিবোৰৰ সমৱেশত এক সুন্দৰ বৰ্ণনাৰ সৃষ্টি হয়। গতিকে বুজিব লাগিব যে কাব্য বা সাহিত্যৰ সৃষ্টিৰ মূলতেই আছে চৈতন্যলব্ধ, সৌন্দৰ্য্যপিয়াসী মানব আত্মা। প্ৰথমে জন্মে কবি আৰু কবিয়ে জন্ম দিয়ে কাব্যৰ। তেওঁলোকে নিজৰ শিল্প প্ৰতিভাৰে কঠোৰ সাধনা কৰি পাষাণতো প্ৰাণ সঞ্চাৰ কৰিবলৈ সমৰ্থ হয়। সেয়েহে কবিসকলৰ হস্তস্পৰ্শত গঢ়ি উঠা প্ৰতিমাৰ কালৰ কৰ্কশ ধুমুহায়ো বিচ্ছিন্ন কৰি দিবলৈ অপাৰগ।

কাব্যৰ পৰাই আকৌ সৃষ্টি হয় মহাকাব্যৰ। অৱশ্যে মহাকাব্যই জগতৰ কাব্য সমূহৰ পৰা এক বিশিষ্ট স্থানত অৱস্থিত হয়। তথাপি স্বীকাৰ কৰিব লাগিব যে মহাকাব্যকো জন্ম দিয়ে কবিয়েই। কিন্তু দুয়োটাৰ মাজত কিছু পাৰ্থক্য দেখা যায়। কাব্যত কবিৰ অন্তৰৰ পৰা উদ্বুদ্ধ হোৱা ভাব ব্যঞ্জনা কোনো প্ৰকাৰেই প্ৰকাশ হব পাৰে। মহাকাব্যত কিন্তু সেইটোৰ ব্যতিক্ৰম। মহাকাব্যৰ কবিতাসমূহত বিশ্বৰ সকলো সুৰ আবদ্ধ হব লাগিব। মহাকাব্যত কবিৰ ধাৰণাই যদি মহৎ সত্যক আশ্ৰয় নকৰে, মহাকাব্যৰো প্ৰকাশ হোৱা সম্ভৱ নহয়। কবিয়ে এই বিশ্ব ব্ৰহ্মাণ্ডৰ মহৎ সত্য আৰু বিচিত্ৰতা সমূহ মহাকাব্যৰ বুকুত জিলিকাই তুলিব পাৰিলেহে সি মহা কাব্যৰ ৰূপ লব পাৰে। জীৱনৰ পৰম শ্ৰেয় ভক্তি আৰু ধৰ্মৰ ৰহস্যবোৰ, কবি মনীষীসকলে পৃথিবীত বিলাই দি গৈছে কাব্য আৰু মহাকাব্যৰ যোগেদি। কাব্যৰ ধ্বনিয়ে মানৱ প্ৰাণক যিমান সহজে আকৃষ্ট কৰিব পাৰে, আন সাহিত্যই সেইদৰে আকৃষ্ট কৰিব নোৱাৰে। জগতৰ কবি মনীষী সকলেই স্বীকাৰ কৰি গৈছে যে একমাত্ৰ কাব্যইহে বিশ্ব সৌন্দৰ্য্যৰ সন্ধান দিব পাৰে। কাব্য হ'ল বিশ্ব সৌন্দৰ্য্যৰ সিংহ দুৱাৰ। কাব্যৰ মাধ্যমেৰেহে বিশ্বৰ প্ৰকৃত ৰহস্যৰ উৎঘাটন কৰিব পাৰি।

এইখিনিতে ইয়াকো কব লাগিব যে মানুহে কবি হও বুলি হব নোৱাৰে। সাহিত্য, মহাকাব্য বা কবিতা বোলা বস্তুক ইচ্ছা কৰিলেই সাজিব নোৱাৰি। কবিৰ কঠোৰ সাধনাৰ ফল স্বৰূপেহে এইবোৰ লাভ কৰিব পাৰি। কবিৰ জন্ম সম্পৰ্কত কোৱা হয়—"A Poet is born and not made." সঁচাকৈয়ে কবিসকলে যেন জন্মৰ পৰাই কবিতা কুঞ্জৰ পূজাৰী বুলি পৰিচিত হৈ আহে। কবি সকলৰ কবিত্ব প্ৰতিভা গুণ যে জন্মৰ ওপৰত অলপ হলেও নিৰ্ভৰ কৰে তাক আমি নুই কৰিব নোৱাৰো। আনহাতে এইটোও ঠিক যে জীৱনে জন্মৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ নকৰে।

কঠোৰ সাধনাৰ দ্বাৰা মানুহে অসাধ্যকো সাধন কৰিব পাৰে। গতিকে যি জনে কঠোৰ সাধনা আৰু চেষ্টাৰ ত্ৰুটি নকৰে তেৱেঁ। হয়তো জগতত কবি বুলি পৰিচয় দিব পাৰিব। এই প্ৰসঙ্গত ইটালীৰ মহাকবি দান্তেৰ কথা আমাৰ মানস পটত জিলিকি উঠে। এদিনৰ বাবে দান্তেই বিয়েত্ৰিচক দেখিছিল। মাত্ৰ সেই এদিনৰ প্ৰথম দৰ্শনতে তাইৰ ৰূপ তৰঙ্গত মুগ্ধ হৈ ডেকা কবি দান্তেৰ প্ৰাণত জাগি উঠে প্ৰেমৰ উদ্দাম আলোড়ণ। তেতিয়াই তেওঁ প্ৰতিজ্ঞা কৰিছিল যে তেওঁ বিয়েত্ৰিচকলৈ এনে এটা লেখনীৰ জন্ম দিব যি লিখনীৰ বাবে জগতৰ প্ৰেমিক কবিসকলে তেওঁৰ ওচৰত পৰাজয় স্বীকাৰ কৰিব লাগিব। সঁচাকৈ তেওঁৰ এই সাধনা আছিল কঠোৰ আৰু আচৰিত ধৰণৰ। সেই সাধনাৰ ফল স্বৰূপে তেওঁ প্ৰণয়ন কৰি উলিয়াইছিল জগত বিখ্যাত গ্ৰন্থ 'ডিভানা ডা কমেডা''বা "ডিভাইন কমেডি"। গতিকে এই কালৰ পৰা দৃঢ় ভাবে কব পাৰি যে সাধনা আৰু যত্ন থাকিলে যৎকিঞ্চিৎ হলেও কৃতকাৰ্য্যতা নিশ্চয় লাভ কৰিব পাৰি।

কবি সকলৰ কাব্য হল এখন দাপোন, সেই দাপোনত জগতৰ সকলোবোৰ বিচিত্ৰতাই প্ৰতিবিম্বিত হয়। কবিয়ে শিল্প প্ৰতিভাৰ দ্বাৰা তীব্ৰ অনুভূতিৰ সহায়ত প্ৰকৃতিৰ উপকৰণৰ দ্বাৰা সেই দাপোন নিৰ্ম্মাণ কৰে। গতিকে কব লাগিব যে কাব্য প্ৰকৃতিৰ ৰূপ ৰস গন্ধ, পৰশত পৰিপুষ্ট হোৱা এক অপূৰ্ব সৃষ্টি 'গোষ্পদে নভোমণ্ডলম' দেখাৰ দৰে প্ৰকৃতিৰ অতি সাধাৰণ বস্তুতো কবি সকলে বিশ্বব্ৰহ্মাণ্ডৰ সন্ধেদ পায়, স্বৰগীয় পবিত্ৰতা অনুভৱ কৰে। কবিতা বা কাব্য আৰু কবিসকল সমাজৰ অমূল্য সম্পদ।

—০—

# প্ৰতিশ্ৰুতি

শ্ৰীনিৰঞ্জন বায়ন
প্ৰথম বাৰ্ষিক, কলা

সঁচাকৈয়ে বীনাৰ নীৰৱতাত একপ্ৰকাৰ নিৰাশ হৈ পৰিছিলোঁ। তেওঁ জানো সদায় এনেদৰে নীৰৱ হৈয়ে থাকিব ? এদিন মনৰ মাজত সাঁচি থোৱা সকলো কথা প্ৰকাশ কৰাৰ পাচতো কিয় বাৰু বীনাই মোক সহজভাৱে বুজিবলৈ চেষ্টা কৰা নাই ! মই তেওঁক সকলো আশা দিলোঁ সহাৰি দিলো। তথাপি তেওঁ জানো মোক বিশ্বাস কৰিবলৈ টান পালে ? আজিলৈ তেওঁৰ পৰা কোনো সহাৰি নাপালোঁ। কোনো প্ৰত্যুত্তৰ নাপালোঁ। কি অদ্ভুত এই বীনা নামৰ ছোৱালীজনী। কি ৰহস্যময়ী এইজনী বাংগালী ছোৱালী। মই আশা কৰিছিলোঁ, বীনাই মোক সহাৰি দিব। মোৰ ভাল পোৱাৰ মূল্য দিব। প্ৰথম বাৰ্ষিকত পঢ়ি থাকোতেই নাটকীয় ভাবে বীনাৰ লগত এদিন পৰিচয় হৈছিল। মই পঢ়ি থকা সৰু চহৰখনৰ কিছু নিলগত এখন সৰু গাওঁ। নাম আহঁতগুৰি। এই আহঁতগুৰি গাৱঁৰে সৰু পৰিয়াল এটিৰ এজনী মাথো ছোৱালী—বীনা। প্ৰথম চিনাকিৰে পৰা এইজনী বীনাই মোৰ অন্তৰৰ নিবিড় কোণত স্থান পাই আহিছে। বি,এ পাছ কৰিলো, তাৰ পাচত দুটা বছৰ নগাপাহাৰত এনফোৰ্চমেণ্ট অফিচত চাকৰি কৰিলোঁ। মাজৰ এই পাঁচটা বছৰ যেন পাঁচটা যুগ হৈ গ'ল। তথাপি বীনাৰ পৰা কোনো সহাৰি নেপালোঁ।

বহুদিনৰ পৰা বহুত আশাৰে তেওঁৰ পৰা এখন চিঠি পোৱাৰ অপেক্ষাত আছিলোঁ। বীনাৰ চিঠি। তাত লিখা থাকিব ভাল পোৱাৰ কথা। আৰু হয়তো লিখা থাকিব মই দিয়া প্ৰস্তাৱ গ্ৰহণৰ আশ্বাস। মই ভাবিছিলোঁ বীনাই মোক কেতিয়াও নিৰাশ নকৰে।

এবা বীনাই মোক নিৰাশ কৰা নাছিল। এদিন বীনাৰ পৰা চিঠি পালোঁ। পাঁচ বছৰৰ পিচত বীনাৰ চিঠি। তেওঁৰ ভাব ভাষাৰ যেন কোনো ব্যতিক্ৰম ঘটা নাই। কিন্তু বীনাই মোলৈ যি কথা লিখিব বুলি ভাবিছিলো, সেয়া লিখা নাই। এখন অতি চমু চিঠি। শুভাশুভ জনাই লিখা এখন অতি সাধাৰণ চিঠি। যি সময়ত মই বীনাৰ পৰা অন্য ধৰণৰ চিঠিৰ আশাত বৈ আছিলোঁ, তেনে সময়ত এই সৰু চিঠিখন মোৰ বাবে সাধাৰণ চিঠিত বাহিৰে আন একো হব নোৱাৰে। অৱশ্যে মই আশা কৰা ধৰণৰ বিষয়েও যে একেবাৰে উল্লেখ কৰা নাছিল তেনে নহয়, বীনাই লিখিছিল যে এনেবোৰ গুৰুত্বপূৰ্ণ কথাৰ সমাধান চিঠিৰে কৰিবলৈ অসুবিধা আছে। সেয়ে যেনে হলেও তেওঁলোকৰ ঘৰলৈ এবাৰ গৈ আহিব লাগে। বিয়াৰ নিৰ্চিনা এটি গুৰুত্ব পূৰ্ণ কথাৰ সিদ্ধান্ত কৰাৰ আগতে তেওঁ হেনো মোক তেওঁৰ ব্যক্তিগত জীৱনৰ বিষয়ে কিছু কথা কব খোজে।

জীৱন কাহিনী। বীনাৰ জীৱনৰ কাহিনী মোক শুনাব। কিন্তু কাহিনীৰ কি আৱশ্যক ? যৌৱনে যৌৱনক যেতিয়া বুজি পায়, হিয়াই হিয়াক যেতিয়া চিনি পায়, তেতিয়া কাৰ জীৱনৰ কি কাহিনী তাক শুনাব কি আৱশ্যক ? তথাপি আহঁতগুৰি গাৱঁলৈ আহিলো। ওৰে বাটটোৱে চিন্তা কৰি আহিছো। বীনাই কি কব বাৰু। বীনাহঁতৰ ঘৰলৈ গলো। ঘৰখনত আদৰ অভ্যৰ্থনা আগবদৰেই আছে। নিশা সকলোৰে খোৱা লোৱাৰ পিচত বীনাই আৰম্ভ কৰিলে তেওঁৰ জীৱনৰ কাহিনী: "প্ৰণবদা" আমাৰ জীৱনত কি হল, কি নহল, আমি কি পালো, কি হেৰুৱালো, হাঁহিলো নে কান্দিলো সেইবোৰ চাই চাই সময়ে বৈ নাথাকে। বৰ দুৰন্ত, বৰ দুৰ্দ্দান্ত--- সময়ৰ গতি। বৰ নিষ্ঠুৰ তাৰ আচোৰ। এদিন সৰু আছিলোঁ আজি ডাঙৰ হলো, কালি হয়তো বুঢ়ী হম।"

···এটা দীঘল হুমুনিয়াহ কাঢ়ি বীনাই মোৰ মুখৰ ফালে চাই আকৌ আৰম্ভ কৰিলে: "তেতিয়া সৰু আছিলো,

একো বুজা নাছিলো। এতিয়া ডাঙৰ হলো। সকলো কথা বুজা হলোঁ। বুজা হৰৰে পৰা নিৰৱে বহুদিন বহুবাৰ কান্দিলো। কান্দি কান্দি ভাগৰি পৰিলোঁ।"

বিহাৰ আচলেৰে মুখখন মচি আগতকৈ উত্তেজনাৰে গদ্‌গদ্‌কৈ কবলৈ ধৰিলে: "জানে প্ৰণৱদা, সমাজৰ প্ৰতি ঘৃণা উপজিছে। সমাজৰ বৰ মানুহ বুলি যাক আমি ওখ আসন দিও সেইবোৰ সমাজৰ তেজপিয়া। বৰ ভয় লাগে এই তেজপিয়া জাতিটোক। পশুতকৈয়ো বৰ্ব্বৰ। মাত্ৰ দুই এজন মানুহে সমাজ চলাইছে। সমাজ কাৰ কাৰণে জানে? সমাজ ধনীৰ কাৰণেহে। আমাৰ দৰে দুৰ্ভগীয়াবোৰৰ কাৰণে নহয়। আমাৰ দৰে দুৰ্ভগীয়াবোৰৰ বাবে আছে সিহঁতৰ কৃত্ৰিম পুতো আৰু ভুৱাৰ চকুলো; কিন্তু মই আজি আৰু এই সমাজক পুতো নিবিচাৰো, করুণা নিবিচাৰো।

বীনাৰ কথাবোৰ শুনি মই আচৰিত নহৈ নোৱাৰিলোঁ। ২২ বছৰীয়া বীনাই সমাজৰ একশ্ৰেণীৰ লোকৰ প্ৰতি বিষোদ্গাৰ কৰিছে। সঁচাকৈয়ে বীনাই সমাজক আমাতকৈ বেছি চিনি পাইছে নেকি? কেনেকৈ? কিয়? তেওঁ ইমান কথা জনা হল। সৰুৰে পৰাই যিজনী ছোৱালীয়ে বেছিকৈ কথা নকয়, কাৰো লগত হাই-কাজিয়া নকৰে, বেছিকৈ নুফুৰে অথচ সেইজনী ছোৱালীয়ে আজি ইমানকৈ সমাজৰ বিষয়ে কটুকথা শুনাবলৈ সাহস পালে। বীনাৰ বক্তৃতাধৰ্ম্মী কথাৰ মই নীৰৱ শ্ৰোতা মাথোন হৈ ৰলো।

কিছুপৰ নীৰৱ হৈ বীনাই আকৌ আৰম্ভ কৰিলে, "আন দহজনী ছোৱালীৰ দৰে ময়ো এদিন চঞ্চলা বাংচালী আনন্দমুখৰ আছিলো। যেতিয়া বুজিব পৰা হলো তেতিয়াৰপৰা ক্ৰমে ক্ৰমে মোৰ জীৱনৰ উজ্বল বোলবোৰ মচা গ'ল। সকলো আশা আকাংখা মৰহি গ'ল। লাহে লাহে বুজিলো মোৰ কাৰণে পৃথিৱীত আছে মাথো এটি উকা জীৱন। সেইদিনাৰ পৰাই মনৰ সকলো উলাহ মাৰ গ'ল। সমাজৰ মাজত মই আজি অৱহেলিতা ঘৃণাৰ পাত্ৰী। মোক লৈ সমাজৰ চুকে-কোণে ফুচফুচীয়া গোপন আলোচনা চলে। এবা, এখন বাজহাড় নোহোৱা দুৰ্ব্বল সমাজে নিৰ্জ্জন কোঠাত বহি ফুচফুচীয়া আলোচনা কৰাৰ বাহিৰে জানো আন উপায় আছে? যিখন সমাজে আজি বাইশ বছৰেও এটি সুবিচাৰ কৰিব নোৱাৰিলে; যিখন সমাজে এজনী ছোৱালীক কন্দাৰ বাহিৰে হাঁহাৰ অধিকাৰ দিব নোৱাৰিলে সেই খন জানো সুস্থ সমাজ।"

বটাৰ পৰা এখন তামোল মোলৈ আগবঢ়াই কৈছিল,— "মোৰ জন্ম অবৈধভাৱে হয়, মই জাৰজ। মই কেৱল 'মা' বোলাৰ অধিকাৰহে পালোঁ। এইখন সমাজে মোক পিতা বোলাৰ অধিকাৰ দিব নোৱাৰিলে। দেশৰ নেতা বৰলোক, সমাজৰ গুৰি ধৰোতাই সমাজত ওখ আসন পায়, সন্মান পায়। এই সমাজৰ বৰলোক হলধৰকে যদি মই জন্মদাতা পিতা বুলি কওঁ বিশ্বাস কৰিব জানো? নাই নকৰে। এখন সমাজে বিশ্বাস নকৰিলে আপুনি কেনেকৈ কৰিব? কিন্তু সঁচা। সেই সমাজৰ গণ্যমান্য দেশৰ প্ৰবীন নেতা হলধৰেই মোৰ জন্মদাতা পিতা। যৌৱনৰ তাৰণাত বিবেকশূন্য হৈ নিজৰ আত্মীয়ৰ ভিতৰৰতে পশুত্ব আচৰণ কৰি এদিন মোক জন্ম দিলে। কিন্তু সেই কথা গোপন কৰি, বাইজক ভুৱা দি আজিও হলধৰে সমাজত উচ্চ আসন অধিকাৰ কৰি আছে। নিজৰ মানদণ্ড অটুট ৰাখিছে। আৰু মই আৰু মাই সমাজৰ চকুত অৱহেলিত, দুশ্চৰিত্ৰা। চকুলোৰে বাট নেদেখা হৈ পৰিছোঁ।

মই যেতিয়া বুজা হৈছিলো মায়ে মোক সকলো কথা বুজাই কৈছিল। আৰু সিই দিনৰ পৰাই কেৱল কান্দিছোঁ। মোৰ কন্দাৰ সঙ্গী হৈছে মা। মাৰ মুখৰ পৰা শুনিছিলো হলধৰ ডাঙৰ পৰিয়ালৰ লৰা। উচ্চ শিক্ষিত নহয় যদিও দেশৰ কামৰ কাৰণে তেওঁক সকলোৱে মানে; সন্মান কৰে। কিন্তু কোনেও নেজানে যে তেওঁ চৰিত্ৰহীন। কেৱল মাকেই নহয় গাৱঁৰ বহুতো ছোৱালীৰ জীৱনত কলঙ্কৰ কালিমা সানিছিল। ডাঙৰ মানুহৰ ল'ৰা বুলিয়ে সকলো দোষৰ পৰা ক্ষমা পাই আহিছে।" হঠাৎ বীনাজনী নিমাত হৈ পৰিল। মই বুজি নাপালো তেওঁ নিমাত কিয় হ'ল। ইমান পৰে মই এষাৰ কথাও কোৱা নাই। চকুহাল চকুপানীৰে চলচলীয়া হল। মোৰ মুখলৈ চাই তেওঁ তলমূৰ কৰিলে। তাৰ পাচত কলে, "মায়ে হেনো সকলো কথা বাইজক কৈছিল। গোসাঁই ঘৰত বাইজৰ বিচাৰ বহিছিল। কিন্তু বাইজৰ মানুহে হলধৰক মাতি আনি এষাৰ কথাও সোধাৰ বাবে সাহস কৰিব নোৱাৰিলে। ফলত মই হলো জাৰজ সন্তান।

তাৰ পাচত হলধৰে আন ঠাইত বিয়া পাতি সুখেৰে সংসাৰ কৰি আছে। মা আৰু মই দিনে ৰাতিয়ে চকুলো টুকি কেৱল তাচ পাতৰ ঘৰ পতাৰ কল্পনা কৰিছোঁ।

বীনাৰ মাতটো লাহে লাহে যেন কমি গৈছিল। বহুপৰ কথা কোৱাৰ বাবে হয়তো ডিঙিটো শুকাই গৈছে। এগিলাচ পানী খাই নতুন প্ৰাণ পোৱাৰ দৰে আকৌ সুধিছিল "কওক, এইবোৰ শুনাৰ পাচত আপুনি মোক গ্ৰহণ কৰিব ? আপোনাৰ প্ৰতি মোৰ গভীৰ বিশ্বাস আছে। আপোনাক মই ভাল পাও সেয়ে সকলো কথা জনালোঁ । এতিয়া কওঁক আপুনি মোক ইঁহাৰ সমল যোগাৰ পাৰিব ? মোৰ কলঙ্কময় জীৱনক ধুই পৰিস্কাৰ কৰিব ?" বীনাৰ চকুৰে ধাৰাসাৰে চকুলো ববলৈ ধৰিলে।

বীনাক সান্ত্বনা দিলো, কথা দিলো— "শুনা বীনা মই প্ৰতিশ্ৰুতি দিলোঁ, তোমাক মই গ্ৰহণ কৰিম। প্ৰথম চিনাকিৰ পৰাই তোমাক মই ভাল পাই আহিছোঁ। এতিয়াও পাওঁ। তোমাক লৈয়েই মই এখন সুন্দৰ সংসাৰ ৰচনা কৰিম। তুমি বিশ্বাস কৰা।" মোৰ কথাত বীনাই ৰ লাগি চাইছিল। কিন্তু উচুপনি বন্ধ হোৱা নাছিল।

পিচদিনা বীনাৰ পৰা বিদায় লৈ এই সমাজখনৰ কথাকে ভাবিছো। সঁচাকৈয়ে এই পুৰণা পঁয়ালগা এলান্ধুকলীয়া কলুষিত সমাজখন ভাঙি নতুনকৈ গঠন কৰিব পৰা নেযাব জানো ? আমাৰ এখন সমাজ লাগে, যিখন সমাজত সকলোৱে সমান অধিকাৰ পায় ....।



# মৰহা স্মৃতি

**কুমাৰী নিৰুপমা ৰাভা**
প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী (কলা)

১৯৬৮ চনৰ আঠাইশ অক্টোবৰ। বাৰটো আছিল শনিবাৰ। সেইদিনা অকস্মাৎ ঘটি যোৱা ঘটনাটো আজিও স্মৃতি পটত চিৰস্মৰণীয় ভাৱে জাগি আছে। সেই দিনটো যে কিমান বেদনাক্লিষ্ট আছিল অৱশ্যে ভুক্তভোগীৰ বাহিৰে অইনে হয়তো বিশ্বাস কৰিবলৈ টান পোৱাটো স্বাভাৱিক।

ৰাতি প্ৰায় চাৰে এঘাৰ বাজিছে। প্ৰকৃতি শুইছে। কোনো প্ৰাণীৰ মাতবোল নাই। এই গভীৰ প্ৰকৃতিৰ বুকুত মাত্ৰ কেইজনমান টোপনিগধুৰ মানুহৰ নাকৰ ঘৰ্ ঘৰ্ শব্দই প্ৰকৃতিৰ নীৰৱতাত যেন বাধা জন্মাইছে। কিন্তু এই নিলৰ্জ্জ চকুযুৰি আজি কিয় জাগি আছে। চিন্তামাৰ্গত বুৰ গৈ যিমানে টোপনি আনিবলৈ যত্ন কৰিছো সিমানে ব্যৰ্থ হৈ পৰিছোঁ। বাহিৰত ডবাপিটা বৰষুণ। লগে লগে বিজুলী ঢেৰেকাণি। ক্ষন্তেকৰ কাৰণে বিজুলীৰ পোহৰত গোটেই পৃথিৱীখন উজ্জ্বল হৈ পৰিছে। লগে লগে আকৌ গগণ ঢাকি অন্ধকাৰ। প্ৰবল ধুমুহাই নিষ্ঠুৰ ভাৱে আক্ৰমণ কৰা ওচৰৰ তামোল আৰু কলপাতৰ কাতৰ শব্দৰ দ্বাৰাই মাথোন বুজিব পাৰি বাহিৰৰ মূৰ্ত্তি ভয়ঙ্কৰ। গোটেই দিনটোৱে কিবা কিবা লাগি আছে। কেৱল মাত্ৰ এটি কথাই মনটোক উৱাউল কৰি তুলিছে।

ঠিক আজিৰ নিচিনা এটি বছৰৰ শনিবাৰতেই শীতৰ কুৱঁলীয়ে ঢাকি থোৱা ৰাতিপুৱা সময়ছোৱাত মোৰ জীৱনৰ আটাইতকৈ মৰমৰ আদৰৰ পুতুলাটোক হেৰুৱাই পেলাইছোঁ। সেইদিনা হঠাতে মোৰ স্বপ্ন মন্দিৰ চকুদুটাত বিষাদৰ ধুমুহাই আগ জাননী দিছিল। কিবা যেন ভয়ঙ্কৰ স্বপ্ন সেইদিনা পুৱঁতি নিশা দেখিছিলোঁ। আনকি সাৰ পোৱাৰ পিছতো শৰীৰৰ নোমবোৰ ডাল-ডালকৈ থিয় হৈ থকা গম পাইছিলোঁ। ভয়ত মই কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছিলোঁ। তেতিয়া মাথোন ভাৱিছিলোঁ অজান ভয়ৰ খলকনি অকাৰণতে।

লাহেকৈ বিচনাৰ পৰা উঠি গৈ চুটকেচটো খুলিলোঁ। দুবছৰৰ মূৰত। এইয়া মোৰ প্ৰাণৰ বান্ধৱী প্ৰতিভাৰ বহুমূলীয়া মৌ সনা কোমল পৰশৰ শেষ লিখনিখনি উলিয়াই চাৰি পাঁচবাৰ পঢ়ি চালোঁ। পঢ়ি উঠি মাথো উপলব্ধি কৰিলো—মৰমী প্ৰতিভাই কেৱল মাত্ৰ ঈশ্বৰৰ প্ৰেমকে সাৰটি লৈ, মোৰ অমূল্য প্ৰেমক অৱহেলা কৰি অভিমানেৰে গুচি গল এক অজান দেশলৈ।

মন আকাশৰ গভীৰ কোণত বেদনাৰ স্বপ্নময় ঝঙ্কাৰ। আচ্ছন্ন মনটো হঠাৎ পখিলা উৰাদি উৰি গল সুদূৰ অতীতৰ ৰহস্যপূৰ্ণ কালকেইটালৈ। একালত ক্ষন্তেকীয়া সময় ছোৱাই আনন্দত আত্মহাৰা কৰি তুলিছিল মাথোন দুটি প্ৰাণীক। হাইস্কুলৰ ৪ৰ্থ কলিতেই আমাৰ দুয়োৰে প্ৰথম মিলন হয়। চিনাকীৰ পিছতেই হৈ পৰিছিল তাই মোৰ প্ৰাণৰ লগৰী। কথাতে কয়—'যি মূলা বাঢ়ে তাৰ দুপাততে চিন।' প্ৰতিভাৰ ক্ষেত্ৰতো সৰু কালৰ স্বভাৱ-চৰিত্ৰ, পঢ়া-শুনা, ভদ্ৰ ব্যৱহাৰ আদি সৎগুণেৰে বিভূষিতা প্ৰতিভাৰ ভবিষ্যৎ উজ্জ্বল বুলি অনুমান কৰিয়েই কব পাৰি। সাধাৰণতে পঢ়া শুনাত ভাল ছাত্ৰ-ছাত্ৰীক শিক্ষকে মৰম কৰে। প্ৰতিভাও সেই মৰমৰ পৰা বঞ্চিতা নাছিল। কিন্তু অইন ছোৱালীবোৰে অহঙ্কাৰী বুলি ভাবি মোকো তাইৰ লগ এৰিবলৈ বাধা দিছিল। মই ভাবিছিলোঁ তাই অহঙ্কাৰী নহয়। লাজুকভাৱে আৰু তলমূৰে খোজ কঢ়া তাইৰ জন্মগত স্বভাৱ।

লাহে লাহে আমি দুয়ো অষ্টম কলি পালোগৈ। এই বছৰত প্ৰতিভাই আমাৰ শ্ৰেণীৰ প্ৰথম স্থানটো অধিকাৰ কৰিছিল। ইভা, গীতা, নীভা, ৰীতা আদি আমাৰ শ্ৰেণীৰ ছোৱালী আটাইবোৰেই মেখেলা চাদৰ পিন্ধিবলৈ আৰম্ভ কৰিছিল। প্ৰতিভা দেখিবলৈ অতি সুন্দৰী হৈ উঠিছিল। যেন সাইলাখ দেৱী মূৰ্ত্তিহে। এদিন দুদিনকৈ প্ৰতিভা যৌৱনৰ দুৱাৰ দলিত ভৰি দিছিলহি। ক'লা দীঘল চুলিটাৰী চকুত হৰিণীৰ চাৱনি, ডালিম গুটীয়া বগা চিক্‌চিকীয়া দাঁত দুপাৰি ৰঙা পাতল চকুযুৰিৰে সৈতে চন্দ্ৰৰ নিচিনা উজ্জ্বল মুখখনি দেখিলেই প্ৰতিভালৈ মৰম জাগে। প্ৰথম স্থান অধিকাৰ কৰাৰে পৰা ইভা, নীভা আদিয়ে তাইক দুচকুৰে দেখিব নোৱাৰিছিল। আনকি প্ৰতিভাই গম নোপোৱাকৈ তাইৰ চাদৰত চিয়াহী থু আদিও পেলাইছিল। প্ৰতিভাৰ এবিধ নোৱাৰা বান্ধৱী বাবে মইয়ো হৈ পৰিছিলো সিহঁতৰ ঈৰ্ষাৰ পাত্ৰী। আমি দুয়ো এদল আৰু শ্ৰেণীৰ বাকীবোৰ ছোৱালী এদল হৈ পৰিছিল। আমাৰ দুয়োৰে কেতিয়াবা এজনী শ্ৰেণীত উপস্থিত থাকিব নোৱাৰিলেই সিহঁতে আনজনীক ঠাট্টা বিদ্ৰূপ কৰিছিল।

আমি দুয়ো একেলগে ৰঙীন ভৱিষ্যতক লৈয়েই সবগৰ সপোন ৰচিছিলোঁ। দুয়োৰে মাজত ভৱিষ্যতৰ সুন্দৰ কল্পনাৰ আলাপ আলোচনা প্ৰায়েই চলিছিল। একেলগে প্ৰৱেশিকা পাছ কৰি দুয়ো কলেজত পঢ়িম, বি-এ, এম-এ পাছ কৰি কলেজৰ অধ্যাপিকা হম। দুয়ো গল্প, কবিতা, প্ৰৱন্ধ আদি ৰচিম ইত্যাদি আমাৰ অলীক কল্পনা। মানুহে বহু আশা কৰে--ভৱিষ্যতৰ সুন্দৰ, ৰঙীন, কল্পনা মনত আঁকে। কিন্তু সেই কল্পনা জানো সদায় বাস্তৱত পৰিণত হয়?

পঞ্চাশ বছৰ বয়সীয়া হৰেণ চৌধুৰীৰ একমাত্ৰ কন্যা প্ৰতিভা। চৌধুৰী আছিল নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোক। মাত্ৰ তিনিটি প্ৰাণীৰে এটি পৰিয়াল। কিমান সুখৰ সংসাৰ। অৱশ্যে চৌধুৰী আৰু ঘৈনীয়েকে মাজে সময়ে ভাবিছিল তেওঁলোকৰ একেটি মাথোন কন্যা সন্তান প্ৰতিভা। তায়ো যদি লৰা হ'লহেঁতেন....। নিসন্দেহে কব পাৰি তেওঁলোক সুখী বুলি। কিন্তু বিচিত্ৰ সংসাৰত মানুহবো জীৱনবোৰ বিচিত্ৰ। কোনোবাৰ কান্দোন আন কোনোবাৰ হাঁহি। সেয়ে কবিয়ে গাইছে,

"হাঁহি আৰু চকুলোৰে করুণ মিলন
এয়ে হায় মানৱ জীৱন।"

প্ৰতিভাৰ জীৱনলৈ আহি পৰিছিল ট্ৰেজেডী। তাইৰ সুন্দৰ কল্পনাবোৰো যেন চূৰমাৰ হৈ যাব। প্ৰতিভাৰ মাক মাজে সময়ে সৰু সুৰা শাৰীৰিক অসুখত ভুগিছিল। এইবাৰ ডাঙৰ অসুখে লগ পালে, সেয়া হৈছে ৰক্তচাপ। লাহে লাহে বেমাৰ বেছি হৈ আহিছিল। আকাশত ডাৱৰ আহি যেনেকৈ ঘোৰ অন্ধকাৰ নমাই আনে সেই দৰে প্ৰতিভাৰ জীৱনলৈও অন্ধকাৰ নমাৰ আগ জাননী দিছিল। এই ৰোগতে আক্ৰান্ত হৈ এদিন প্ৰতিভাৰ মাকৰ প্ৰাণ বায়ু ওলাই গল কোনোবা অজান ৰাজ্যলৈ। পশ্চিমাকাশত সূৰ্য্যাস্ত যোৱাৰ লগে লগে কাল সন্ধিয়া নামি অহাৰ দৰে মাকৰ মৃত্যুত প্ৰতিভা আৰু দেউতাক চৌধুৰীয়ে যেন দুচকুৰে ধুৰুঁলী কুৰুঁলী দেখিছিল।

সময় কালৈকো বৈ নাথাকে। সময়ৰ সোঁত নৈৰ সোঁতৰ দৰে। মাকৰ মৃত্যুৰ পিছত প্ৰতিভাই পঢ়া বাদ দিয়াটোকে ঠিক কৰিছিল। কিন্তু দেউতাকৰ কথামতে তাই আকৌ স্কুললৈ যোৱা আৰম্ভ কৰিছিল। চৌধুৰীয়ে মাজে সময়ে ভাৱে প্ৰতিভাৰ বিয়াৰ কথা। তেওঁৰ চিন্তা কেনেকৈ প্ৰতিভাক এজন শিক্ষিত ডেকাৰ লগত গতাই তাইৰ জীৱনটো সুখী কৰি থৈ যাব পাৰে। চৌধুৰীৰ বয়স নিতৌ বেছি হৈ অহাৰ লগে লগে তেওঁৰ চিন্তা--গভীৰ হৈ পৰিছিল। চৌধুৰীয়ে হয়তো এদিন ভাবিছিল প্ৰতিভাই তেওঁলোকৰ একমাত্ৰ সন্তান কাৰণে তাইক লোকৰ ঘৰত বিয়া নিদিয়ে। যিহেতু চৌধুৰীৰ সম্পত্তিৰ গৰাকী তায়েই। কিন্তু তেওঁৰ ভবামতে প্ৰতিভাক বিয়া কৰাই ঘৰ জোৱাই হবলৈ কোনো শিক্ষিত লোক আগ বাঢ়ি অহা নাছিল।

নিয়মিত ভাবে প্ৰতিভাই স্কুললৈ আহিছিল। তাইৰ মৌন স্বভাৱ আগতকৈ দুগুণে বৃদ্ধি পাইছিল। এই বছৰটো আছিল আমি প্ৰৱেশিকা পৰীক্ষাৰ ডেওনা পাৰ হোৱাৰ বছৰ। দশম কলিতো তাই প্ৰথম স্থান অধিকাৰ কৰিছিল। ইমান কষ্টৰ মাজেৰে পঢ়িও তাই শ্ৰেণীত সদায় প্ৰথম স্থানটোকেই পাই আহিছে। আমি মহাসুখত পঢ়িও তৃতীয় স্থানটোকে পাব নোৱাৰিলোঁ।

আমাৰ ঘৰৰ পৰা প্ৰতিভাহঁতৰ ঘৰলৈ প্ৰায় পাঁচ মাইল দূৰ। তাইৰ লগত এদিন মোকো সিহঁতৰ ঘৰলৈ

লৈ গৈছিল। তাইৰ দেউতাকক দেখাৰ লগে লগে প্ৰতিভালৈ মোৰ স্নেহ বেছিহে বাঢ়িছিল। মানুহজনৰ চুলিবোৰ পকিছে। দাঁতো দুটা এটা সৰিছে। বয়স অনুমান উনষাঠিমান হব। ঘৰত মাত্ৰ তিনি জন মানুহ। এজনী ঘৰুৱা কাম-বন কৰিব পৰা প্ৰায় ন দহ বছৰীয়া ছোৱালী। তাই আছিল প্ৰতিভাহঁতৰে ওচৰ সম্বন্ধীয় মাহীয়েকৰ ছোৱালী। পিছদিনাখন স্কুলৈ অহাৰ সময়ত তাইৰ লগতে ঘৰলৈ গুচি আহিছিলোঁ। মা বাইদেউ-হঁতৰ আগত প্ৰতিভাৰ দুখৰ কাহিনীবোৰ কৈছিলোঁ। তাইৰ দুখত মাহঁতেও দুখ কৰিছিল। সেইদিনৰ পৰা তাইলৈ মোৰ বেছিহে মনত পৰিব ধৰিছিল, বিশেষকৈ তাইৰ ভবিষ্যত জীৱনটোৰ কথা।

এইদৰে সময়বোৰ অতিবাহিত হৈছিল। দিনৰ পিছত দিন যায়, মাহ বছৰ বাগৰি যায় কিন্তু প্ৰতিভাৰ মুখত খোলা হাঁহি নাই। তাইৰ গভীৰ অন্তৰখনে সদায় চিন্তাতে মগ্ন। এইদৰে কেইদিনমান পাৰ হোৱাৰ পিছত প্ৰতিভা শ্ৰেণীলৈ অহা নাছিল। প্ৰায় দহ দিনমান পাৰ হৈ গৈছিল। তেতিয়া মাথোন অনুভৱ কৰিছিলো মই যেন একেবাৰে অকলশৰীয়া। শিক্ষকে বুজোৱাত মোৰ মুঠেই মন নবহিছিল। বাৰে বাৰে তাইৰ কাষলৈ মোৰ মনটো উৰা মাৰিছিল। এইদৰে প্ৰায় দহ দিনমান পাৰ হৈ গল। প্ৰতিভাহঁতৰ গাৱঁৰে ছোৱালী কেইজনী-মান আমাৰ হাইস্কুলত পঢ়ে। সিহঁতৰ দ্বাৰাই প্ৰতিভাৰ খবৰ লৈছিলোঁ।

....এইয়া পোন্ধৰ দিনৰ মূৰত তাই মোলৈ এখন চিঠি পঠাইছিল সিহঁতৰে গাৱঁৰ মীনাৰ হাতত। চিঠি খন এবাৰ পঢ়িয়েই বুজিব পাৰিছিলো তাইৰ দেউতাকৰ কেন্সাৰ হৈছে। ঘৰলৈ আহিও চিঠিখন বাৰে বাৰে পঢ়ি তাইৰ জীৱনৰ দুখৰ কথাবোৰ জুকিয়াই চাই বৰ বেয়া লাগিছিল। নিজৰ দুখৰ কাহিনীৰ বৰ্ণনাৰে চিঠিখন পুৰাইছে।

তাৰ পিছদিনা আছিল শনিবাৰ। সেইদিনা পুৱঁতি নিশাতে কিবা এটি বুজিব নোৱাৰা সপোন দেখিছিলো। শনিবাৰে আমাৰ ৰাতিপুৱা স্কুল হয়। পুৱা চাৰে ছয়-মান বজাত স্কুললৈ ৰাওনা হৈছিলো। ৰাস্তাত কাকো লগ পোৱা নাই। অকলে অকলে গৈ স্কুল পাইছিলোঁ। সেইদিনা দেখোন জিৰণি কোঠাত কাৰো হাঁহি মাত নাই। লাহে লাহে লৰা-ছোৱালী আৰু শিক্ষকসকল আহি উপস্থিত হৈছিলহি। শিক্ষকসকলে দুজনমান লগ হৈ কোৱা শুনিছিলোঁ 'তেনেহলে আজি শোক সভাই পতা হব।' কথাষাৰ শুনি ভাবিছিলো হয়তো ভাৰতৰ বা অসমৰে কোনো মন্ত্ৰী বা শিল্পী সাহিত্যিকৰ মৃত্যু হৈছে। গাৱঁৰ ছোৱালী মীনা আহি পোৱাত তাইৰ পৰাই প্ৰতিভাৰ খবৰ লওঁ বুলি ওচৰলৈ মাতিছিলোঁ। তাই কিন্তু সেইদিনা মোৰ ওচৰলৈ আহিবলৈ সঙ্কোচ কৰিছিল। তাই জানে প্ৰতিভা আৰু মোৰ বন্ধুত্বৰ কথা। সেয়েহে চাগৈ ভাবিছিল—মই যদি প্ৰতিভাৰ আগ জাননী পাওঁ তেতিয়া আৰু বৰ নোৱাৰিম। কিন্তু ওচৰলৈ মাতি আনি যেতিয়া প্ৰতিভাৰ কথা শুধিলোঁ তেতিয়া তাই লাহে লাহে কবলৈ আৰম্ভ কৰিছিল "যোৱা শুক্ৰবাৰৰ দিনা নিশা আঠ বজাত প্ৰতিভাৰ দেউতাকৰ মৃত্যু হয়। আকৌ শুনিছিলো দেউতাকৰ মৃত্যুৰ যন্ত্ৰণা সহ্য কৰিব নোৱাৰি প্ৰতিভায়ো সেই নিশাই আত্মহত্যা কৰে।....

মই একো মাতিব নোৱাৰা হৈ পৰিলোঁ। তেতিয়া মোৰ মনত ভাহি উঠিছিল চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ এফাঁকি কবিতা —

"ক'ৰ কোন কিবা হ'ল,
চিন স্মৃতি পমি গ'ল,
প্ৰকৃতিয়ে তেনেকৈয়ে ব'ল।"

......শালিকীজনী নাচি নাচি মোব পিনে আগবাঢ়ি আহিল। অলপ যেন কিবা কলে। মই কিন্তু বুজি নাপালোঁ ....।

....এন্দুব, নিগনিবিলাকে যে আমাব ভড়ালটোত কিমান অন্যায় কবিছে, পইতাচবামখাই যে আমাব চাউল বিনাকত কিমান লাদি খয় তাক জানো ভাবি চাইছো ।...... ?

# পুষ্প আৰু প্রস্তৰ


শ্রীবলেন্দ্র ৰাভা
প্রাক্ বিশ্ববিদ্যালয় শ্রেণী কলা


মোব মনত প্রায়ে আনন্দ থাকে। সদায় মই আনন্দত থাকিয়েই ভাল পাওঁ। মই স্কুললৈ যাওঁতে, আহোঁতে বা কববালৈ যোৱাব ঠিক আগমুহূর্ত্তত এটা সঙ্গীতব কলি লৈ যামেই। আৰু সদায় আনন্দত দিনবোব অতিবাহিত কবিব পাবিম বুলি মোব বদ্ধমূল ধাবণা এটা হৈছিল। কিন্তু কথাটো সম্পূর্ণ সঁচা নহ'ল ।....

আজি মোব উইলিয়ম ব্লেকব এটা কবিতালৈ সঘনে মনত পবিছে। তাত কবিয়ে এটা সাধাবণ চবাইব বাবে কেনে দবদী সুব টানিছে ভাবিবলগীয়া কথা। 'ডি ববিন বেডব্রেষ্ট ইন্ এ কেজ' কবিতাটোব নাম।

স্কুলত গবমব বন্ধ দিছিল। কিন্তু ওপব শ্রেণী দুটাব গবমব বন্ধতো পঢ়াব ব্যৱস্থা কবাব কাবণে স্কুললৈ যাবলগীয়া হৈছিল। কথাটো জুলাই মাহব শেষ সপ্তাহত। দিনটো খুব গবম। মই ছাটি নিনিয়া 'ভদ্রলোক' জনেও ছাটি নিবলৈ অভ্যাস কবিছিলো--সেই দিনকেইটাত। স্কুল পাই কিতাপ আৰু ছাটিটো যথাস্থানত থৈ এজন লগ লৈ পাইপটোলৈ গলোঁ। খুব ভাল লাগিল মোব হাত ভবি ধুই উঠি।

প্রথম পিবিয়ডত লৈছিল গণিত। সেইদিনা চাবে গণিত বুজাইছিল। কিন্তু মই মোব মনটোক বাৰে বাৰে ব্লেক বর্ডত থবলৈ চেষ্টা কবিও নোৱাবিলোঁ। ক্লান্তিত চকু দুটা জাপ খাই আহিব খোজে। মই দুই নাওত দুই ভবি দিব লগাত পবিলো। কিন্তু এটাও একচেতীয়া ব্যৱসায় নহল। এফালে নিদ্রা আনফালে অঙ্ক। দুয়োটাব ভিতবত এটা বুজাপবাও কবিবৰ উপায় নাই।

তাব পাচত ললে ইংৰাজী এনালাইচিছ্। দুটা পিৰিয়ড মোৰ এনেয়ে গ'ল।

তাব পাচত আমাব স্কুল ছুটি হ'ল। চাৰি বাজিছিল তেতিয়া। বেলিটো একেবাৰে পশ্চিমব ফালে হালি গৈছিল। স্কুলব কাষতে থকা এটা ঘৰত মোৰ এজন বন্ধু আছিল। তেওঁৰ তালৈ গ'লোঁ। তাত বহুত সময় বহিলোঁ। কিবা কিবি আলোচনা কবি প্রায় পাঁচ মান বজাত মই বন্ধুব পৰা বিদায় লৈ ঘৰলৈ উভটিলোঁ। পলৰীয়া মেকুৰীয়ে ঘৰমুৱা হৈ ৰাগ টনাৰ দৰে মোৰ ঘৰৰ পৰা নিয়া গীতৰ কলিটোও মোৰ মনলৈ আহিল।

মই গুণগুণাই খোজ কাঢ়িলো। বাটৰ দুই এটা শিলে মোক বাধা দিছিল।

এটা সময়ত ঘৰ আহি পালো। খুব ভাল লাগিল। আমাক এজন শিক্ষকে কৈছিল, নিজৰ ঘৰখনৰ যদি বেৰ ভাঙি শিয়ালে চকু লুটিব পৰা অৱস্থাও হয়, তথাপি ভাল লাগে। সেইবাবেই ভাল লাগিল নেকি, ঠিক নাজানো। গোটেই দিনটো বাহিৰত বন্ধু-বান্ধৱৰ লগত থাকি ঘৰত সোমাইছোহি। গতিকে ভাল লগাটো একো অস্বাভাৱিক বুলি মই কব নোখোজো। মনত পৰিল বেজবৰুৱাৰ 'বীণ বৰাগী' লৈ, মনত পৰিল পদ্মধৰ চলিহাৰ 'স্বদেশ প্ৰেম'লৈ আৰু মনত পৰিল এফ্ হাৰ্বাৰ্ডৰ 'হ'ম চুইট্ হ'ম' কবিতালৈ।

মাই গাৱঁৰ এজনী তিৰোতাৰ লগত কথা পাতি আছিল। হঠাৎ মোৰ চকু বাহিৰত পৰি থোৱা চকিখনত থমকি ৰ'ল। কিবা এটা অনুভৱ কৰিলো চকিখন দেখি। কিন্তু প্ৰকাশ কৰা শক্তি মই নাপালো। কোনেও কব নোৱাৰিলে মোৰ খং উঠা বুলি। শালিকীজনীলৈ মই চালো। ঠিক পশ্চিমৰ ঘৰৰ কাষতে আছে। গোমোঠা মুখে কিতাপখিনি টেবুলত থলো। কাপোৰ সলালো। শালিকীজনীৰ কাষেদি পাৰ হৈ গলো। আনদিনাৰ দৰে মোক দেৱতা বুলি ভাবিছিল। পশ্চিমৰ ঘৰৰ বেৰত এডাল বাহ আউজি আছিল ঠিক মোৰ হাতখনে চুকি পোৱাতে। মই লাহেকৈ হাতত তুলি ললো। তাৰ পাচত কিছু কথা ভাবিলো হঠাৎ ৰৈ গলো। পইতা চৰাই, নিগনি বিলাক ? এইবোৰেওটো বহুতো অন্যায় কৰে। কিন্তু।....মোৰ মনলৈ এচাটি বেলেগ ৰতাহ বৈ আহিল। মই কিহৰ পৰা কি হৈছিলো কব নোৱাৰো। শালিকীজনী নাচি নাচি মোৰ পিনে আগ বাঢ়ি আহিল। অলপ যেন কিবা ক'লে। মই কিন্তু বুজি নাপালো বা বুজিবলৈ চেষ্টাও নকৰিলো। চকু মুদি দিলো। মই গম পালো মোৰ সকলো শক্তিৰেই বাহডাল ঘুৰাইছো। মোৰ চিকাৰত নিশ্চয় সফলতা অৰ্জন কৰিছো।

শালিকীজনী বহুদূৰলৈ চিটিকি গল আৰু এটা সময়ত তাই স্থিৰ হৈ ৰৈ গ'ল। তাই আৰু নলৰিলে। ঠিক অলপ আগতে তাই মাতিছিল। এতিয়া তাই নিৰ্ব্বাক নিস্পন্দিত। তাই এতিয়া কেল্-কেলোৱা নাই, তাইৰ চাটি দিয়া ডেউকা দুখনো লৰা নাই আৰু তাই আমাৰ বাহৰ তাবডালত উঠি মতাও নাই। মই তাইৰ সেই দৃশ্য দেখি কিতাপৰ পৰা মুখ তুলি মিচিক-মাচাককৈ হাঁহি থকা নাই। ভাইটিয়ে আগৰ দৰে ফৰিং বিচাৰি আনি আগত দলিয়াৰি দি হাঁহি চাই থকা নাই। মাইয়ে যেতিয়া ভাত বান্ধিবলৈ চাউল উলিয়াই দলাত জাৰিবলৈ লওতে তাই জপিয়াই জপিয়াই আগবাঢ়ি আহি ডলাত উঠি চাউল খোৱা নাই। তাই আৰু এতিয়া এচকুৱাকৈ ওপৰলৈ চোৱা নাই। মুঠতে তাই আগৰ দৰে সেইবোৰ একোকে কৰা নাই।

তাৰ পাচত মই শান্তি। চকিখনত শালিকীজনীৰ

গুখিনি ভালকৈ মচি মই বহি পৰিলো। ঠিক মোৰ খং দ নিৰ অঁতৰি গৈছে। এনে সময়তে ভাইটিয়ে কৰবাৰ পৰা ফৰিং ধৰি আনি শালিকীজনীক মাতিলে। কোনো ফালে তাইৰ সহাৰি নাপাই চাৰিও ফালে ভালকৈ চালে। মই নীৰৱে চিন্তা কৰিলো। কি বুলি কওঁ তাক। মই নিজকে কি ৰূপত তেতিয়া ৰূপায়িত কৰিছিলো গম পোৱা নাছিলো। জানো ভগ্ন পুত্ৰ হন্তা কংস আৰু ভাতৃ বিদ্বেষী দুৰ্য্যোধনৰ পাপবোৰ যোগ কৰিও মোৰ বৰ্ত্তমান অৱস্থাৰ সমান হব নোৱাৰে। নিজকে বৰ অপৰাধী যেন লাগিল।

শালিকীজনী আছিল ভাইটিৰ অতি মৰমৰ। প্ৰথমে ভাইটিয়ে শালিকীজনীক আমাৰ গাৱঁৰে আনএটা চুবুৰীৰ সমনীয়া লৰা এজনৰ পৰা খুজি আনিছিল। আনিয়েই সি মোক কৈছিল "বুবুদা, এটা শালিকা পোৱালি আনিলো। মই ডাঙৰ কৰিম। মাত লোৱাম।"

সেইদিনা তাৰ মাতত আছিল এক অপৰাজেয় স্বৰ। ভাইটিয়ে মালিকক পিচদিনা আদাদিয়াৰ বন্দোৱস্তত শালিকীজনী পাইছিল। সঁচাকৈয়ে সি শালিকীজনীক নিজহাতে ফৰিং ধৰি আনি খুৱাইছিল আৰু পিচত খুটি খাব পৰা কৰিছিল। মনত আছে এবাৰ ভোকত শালিকীজনী কেলকেলাই আছিল। মই কলো "উস্ তই শালিকীজনী ভোকত মাৰিব খুজিছ নেকি ?"

"মই দেখোন অথনিৰে পৰা কাম কৰিয়েই আছোঁ। মাক কলো ফৰিং ধৰিবলৈ যাও বুলি, মাৰে নিদিলে।"

সঁচাকৈয় সি কাম কৰি আছিল। কিন্তু কোন পলকতযে ফৰিং ধৰি আনি খুৱালে কবই নোৱাৰিলোঁ।

অলপ ডাঙৰ হোৱাত দেউতাক এটা পিজৰা সাজিব খাটিলে। দেউতা কামৰ মানুহ। সময় নাই বুলি কয়। কিন্তু ভাইটিয়েও নেবানেপেৰাকৈ ধৰিলে। পিচদিনাও কলে দেউতাক। তাৰ পিচ দিনাও। কেইদিনমান পিচত ভাইটিয়ে পিজৰা এটা দেউতাৰ পৰা সচাকৈয়ে আদায় কৰিলে। ভাইটিৰ তেতিয়া গৌৰৱ অলপ বাঢ়িল। সি নিজে নিজৰ গুণো বখানিব ধৰিলে। মোক কয় দাদা শালিকীজনী ডাঙৰ হব। ডাঙৰ হলে তাই মাতিব।"

লাহে লাহে শালিকীজনী ডাঙৰ হৈছিল। আৰু ঠিক সেইটো কাৰণতেই নেকি ভাইটিয়ে তাইক পিজঁৰাত ভালকৈয়ে আৱদ্ধ কৰিবলৈ তৎপৰ হৈছিল। মই কৈছিলোঁ "শালিকীজনী কিয় এৰি নিদিয় ?

'তাই যদি উৰি গুচি যায় ? মাত্‌ জানো লব পাৰিব তাই, যদি উৰি গুচি যায় ?"

উত্তৰ মোৰ নাছিল। মাথো মই নীৰৱতাত ডুবগৈ আছিলো। যি নহওক তাই ডাঙৰ হোৱা বাবেই নিশ্চয় আৱদ্ধ কৰি ৰখাৰ দিহা হ'ল বাকুকৈয়ে। এৰা তাইযে ডাঙৰ হৈছে। এইদৰে নাবাখিলে যে উৰি গুচি যাবগৈ। তেতিয়া তাই হব মুক্ত। কিন্তু তাৰ মুক্তি যে আমি কামনা নকৰেঁা। তাই যে মাতিব নোৱাৰিব। তাই যে কিয় ডাঙৰ হ'ল।

....ঠিক তেনেতে দেউতাই এদিন এটা বুদ্ধি দিলে। দেউতাই পৰামৰ্শ দিলে শালিকীজনীৰ পাখী কাটি দিবলৈ, যাতে তাই উৰিব নোৱাৰে। প্ৰথমে ভাইটিয়ে সন্মত হোৱা নাছিল। কিন্তু পিচত কিবা এটা পৰিবেশত পৰি সন্তোষ মনে সন্মতি প্ৰদান কৰিলে। সন্মতিৰ পিচ দিনাই কাম হাছিল হ'ল। তাইৰ পাখী ছুটিকৈ কাটি দিলে। ডেউকা কেইখনত আচোৰ পৰা বাবে তাই আটাহ পাৰিছিল। তাইৰ এই আটাহ, মই ভাবোঁ কান্দিছিল। এই কান্দোনত মই অন্তৰৰ সতে সমবেদনা যাচিছিলোঁ। মোৰ বেয়া লাগিছিল। তেতিয়াৰ পৰা তাই মুক্তি পালে সঁচা কিন্তু সেই মুক্তি আছিল তাইৰ বাবে অৰ্থহীন। সাধাৰণ চাপৰ গছ এজোপাতেই কোনোমতে কেবাবাৰো চেষ্টা কৰিহে উঠে। উঠিয়েই কিন্তু সোনকালে নামিব নোখোজে। তাই আৰু ওপৰলৈ যাব খোজে, কিন্তু নোৱাৰে। যদি একেবাৰে মাটিত পৰি যায়। সেইবাবেই তাই আৰু ওপৰলৈ যাবলৈ হাবিয়াস নকৰে। কেতিয়াবা চেষ্টা কৰি পৰি গলে ডালটোলৈ নিৰাশ দৃষ্টিৰে অসহায়ভাবে চায়। কিবা ভাবে চাগে'। কাৰণ স্বাভাবিক দৃষ্টিৰ লগত তাইৰ সেই দৃষ্টিৰ যথেষ্ট অমিল দেখা যায়। কিবা যেন পাবলগা বস্তু নোপোৱাত হতাশ হৈছে। হয়তো নিজৰ দুৰ্ব্বলতাখিনিৰ বাবে নিজক নিকে অপমান বোধ কৰে, গালি পাৰে। তাৰ পিচতো কেতিয়াবা চেষ্টা কৰা দেখো, কেতিয়াবা সেই ঠাইলৈ আৰু দুনাই নাযায়।

কেইসপ্তাহমান পিচত পাখী গজি উঠাত গোহালি-টোৰ মুধৰ ওপৰলৈ উঠি গৈ তাই গান গায় নে কবিতা আওৱায় কব নোৱাৰেঁা। কিন্তু ধৰি আকৌ পাখীবিলাক কাটি দিয়ে ভাইটিয়ে। তাই আকৌ হৈ পৰে পঙ্গু। ঠিক এনেকৈয়ে নিজৰ জীৱনটো ভাইটি আৰু মা দেউতাৰ বুদ্ধিৰ আগত সপি দি তাই হৈ পৰিল আমাৰ এটা অঙ্গ, মৰমৰ পখী।

কেতিয়াবা মা দেউতাই ভাইটিক কথাটো সোঁৱৰাই দিবলৈ পাহৰি যায়। অ'ত ত'ত জপিয়াই জপিয়াই পৰে। কিন্তু কেতিয়াবা কেতিয়াবা তাইৰ ব্যতিক্ৰমো নঘটা নহয়। কেতিয়াবা কেতিয়াবা তাই ভুল পথে চালিতা হৈ বাহিৰত পাৰি থোৱা চকি মেজ আদিত পৰে আৰু তেনেদৰেই হাগি থয়। এই নীতি পাচলৈ তাইৰ এটা অভ্যাসত পৰিণত হয়। তাই প্ৰায় চকি মেজ আদিত হাগিব ধৰিলে। মই মাক এই বিষয়ে কবলৈ ধৰিলো। কিন্তু মায়ে এই বিষয়ত বৰ বেচি সাবধান নোহোৱা যেন লাগিল। এই বিষয়টোৰ বাবে মাক এদিন ভালকৈয়ে কলোঁ। মাই ভাইটিক কথাটো কাণ চুৱালে। ভাইটিয়ে অৱশ্যে কথাটোত গুৰুত্ব দিয়া নাছিল। সি আগৰ দৰেই কাম কৰি গৈছিল। মই বাধ্য হৈ ভাইটিক কলোঁ কথাটো। অসুখ হৈছে বুলি জানিয়েই ডাক্তৰে ৰোগৰ ওপৰত গুৰুত্ব নিদি প্ৰেচ্‌ক্ৰিপচন লিখাৰ দৰে হল মোৰ প্ৰস্তাৱটো, ভাইটিয়ে শুনিলে; কিন্তু নুশুনিলে। এদিন কলো "উমু, শালিকীজনীয়ে চকি মেজত হাগি থয়। ভালকৈ বান্ধি থবি। নহলে কেতিয়াবা কি হয় নাজানোঁ।" নিৰ্ব্বাক হৈ সি কথাখিনি শুনিছিল মাত্ৰ। সি কি ভাবিছিল মই কব নোৱাৰেঁা। অৱশ্যে মই জানিবলৈ

ইচ্ছা কৰা নাই বা চেষ্টাও কৰা নাই। তাৰ পাচতো ভাইটিৰ ভাৱ চিন্তাত সাৱধনতাৰ লক্ষণ দেখা নাপালোঁ। তাৰ পিচত আৰু কেইবাদিনো এই অভিনয় চলিল। আজি মোৰ খং চৰিতাৰ্থ কৰিলোঁ। মোৰ ভাবিবলৈ মন গল যে শালিকীজনী ভাইটিৰ বৰ মৰমৰ। তাইক মাৰি মই একো লাভ কৰিব নোৱাৰো। অৱশ্যে হগাৰ পৰা বিৰত হব। কিন্তু এন্দুৰ নিগনিবিলাকে যে আমাৰ ভঁৰালটোত কিমান অন্যায় কৰিছে, পইতাচৰামখাই যে আমাৰ চাউলবিলাকত কিমান লাদি থয় তাক জানো ভাবি চাইছো? সিহঁতৰ এটা মাৰিলেওতো বহুত উপকাৰ কৰা হয়। এটা এন্দুৰ মাৰিলেইতো বহুত ধান ৰক্ষা পৰে। কিন্তু এই কথা জানো কেতিয়াবা ভাবি চাইছোঁ বা কৰিছোঁ? আনহাতে শালিকীজনী বাচি থাকিলে ভবিষ্যতে মাত লোৱাৰ আশা আছিল। মোৰ জানো এইটো বেয়া কাম নহ'ল?

খুব বেয়া লাগিল ভাবি ভাবি। মই আজি কি কৰিলোঁ। মই যে সকলো শেষ কৰিলো। শালিকীজনীৰ প্ৰতি থকা প্ৰেমকণ মই সঁচা প্ৰেম বুলিব পাৰো জানো? মোৰ আজি নিজকেই এজন বেলেগ ব্যক্তি যেন অনুমান হ'ল। মই পৃথিবীত নাই নাই যেন লাগিল। ভাব হল মই মৰুভূমিৰে পূৰ্ণ কোনোবা এখন জগতত বাস কৰিছোঁ। য'ত পানী নাই, ফুল নাই, সেউজীয়া বং য'ত বিৰল। শালিকীজনীৰ প্ৰতি অলপ মৰম, কিয় জানো মোৰ সেই মৰুদেশৰ ফুল ফুল লাগি গ'ল। আৰু ভাবিলো মোৰ সেই ফুলৰ চাৰিওফালে আছিল উত্তপ্ত শিল, বালি আৰু মাটি।

